ছূৰা - ৩

# ইমৰানৰ পৰিয়াল

*(আলি 'ইমৰ্বান : ৩২)*

মদীনাত অৱতীৰ্ণ

**আল্লাহৰ নাম লৈ, যিজন ৰহমান, ৰহীম**

**পৰিচ্ছেদ - ১**

১ আলিফ লাম মীম (--মই, আল্লাহ, শ্ৰেষ্ঠ জ্ঞাতা)।

২ আল্লাহ! তেওঁৰ বাহিৰে অন্য উপাস্য নাই, চিৰ জীৱন্ত, সদা বিদ্যমান (২:২৫৫, অথচ ঈছা, মৰিয়ম, কৃষ্ণ, বুদ্ধ প্ৰমুখ্যে মহাপুৰুষসকল--যিসকলক তেওঁলোকৰ শিষ্যসকলে অতিভক্তিৰ কাৰণে দেৱতা জ্ঞান কৰে,--তেওঁলোক সকলোৱেই মৃত্যুমুখত পতিত, নশ্বৰ ৩:১৪৩; ২১:৩৪)।

৩ (হে মুহাম্মদ-ছাঃ!) তেওঁ তোমাৰ ওচৰত এই কিতাপ (অৰ্থাৎ কুৰআন) অৱতাৰণ কৰিছে সত্যৰ সৈতে (অৰ্থাৎ শাশ্বত সত্য বাণীৰে ভৰপূৰ কৰি, যাতে অধঃপতিত পৰা মৰণাপন্ন মানুহৰ পৰিত্ৰাণৰ কাৰণে ই পথ নিৰ্দেশ দিব পাৰে), ---ইয়াৰ আগেয়ে (বাইবেল প্ৰভৃতি গ্ৰন্থত বৰ্ণিত ভৱিষ্যৎবাণী) যি আহিছিল তাৰ সত্য সমৰ্থনৰূপে (২:৪১) আৰু তেওঁ (মুছা-আঃ-ৰ ওচৰত) তওৰাত আৰু (ঈছা-আঃ-ৰ ওচৰত) ইঞ্জীল (বাইবেল) অৱতাৰণ কৰিছিলে ইয়াৰ আগতে (যি গ্ৰন্থত বিশ্বনবী মুহাম্মদ ছাঃৰ আগমন সম্পৰ্কে ৰূপকভাৱে বহুত ভৱিষ্যৎবাণী কৰা হৈছিল, ডিউ ১৮:১৫-১৮; মাৰ্ক ১:১৫; ম্যাথু ২১:৪০; যোহন ১৪:১৬,১৭), মানুহৰ নিমিত্তে পথ নিৰ্দেশৰূপে (যাতে সেইসকলে সেই বিশিষ্ট নবীক গ্ৰহণ কৰে) আৰু (ধৰ্মৰ ক্ৰমবিকাশ আৰু পৰিপূৰ্ণতা আনয়ন কৰি, ২:২১৩) তেওঁ (সৰ্বশেষত ৩৩:৪০) অৱতাৰণ কৰিছে এই ফুৰকান (অৰ্থাৎ ন্যায়-অন্যায়ৰ আৰু সঁচা-মিছাৰ বিভেদকাৰী গ্ৰন্থ, অৰ্থাৎ এই মহান কুৰআন)। বস্তুতঃ যিসকলে অবিশ্বাস কৰে আল্লাহৰ বাণীসমূহত (যাৰ মাজত সমস্ত বিশ্বমানৱক ভাতৃবন্ধনত একতাবদ্ধ কৰাৰ সূত্ৰ দিয়া হৈছে), সিহঁতৰ কাৰণে (নিৰ্ধাৰিত) ৰৈছে (ইহকালত পৰস্পৰ হিংসা-বিদ্বেষ, দন্দ্ব-হাই, খোৱা-কামোৰা আৰু যুদ্ধ বিগ্ৰহৰ দাৱানল আৰু পৰকালত তাতোকৈও) ভয়ঙ্কৰ শাস্তি। আৰু আল্লাহ মহাশক্তিশালী, প্ৰতিফল দানত সুসমৰ্থ।

৪ নিসন্দেহে আল্লাহ সম্পৰ্কে---তেওঁৰ ওচৰত লুকাব লগা একোৱেই নাই এই পৃথিৱীত আৰু মহাকাশতো (লুকাই থকা বস্তু একোৱেই) নাই।

৫ তেৱেঁই সেইজন যিজনে তোমালোকক গঢ়ি তোলে জৰায়ুৰ ভিতৰত যেনেকৈ তেওঁ বিচাৰে (আৰু ইয়াৰ মাজত কাৰুকাৰ্য দেখুওৱাৰ ক্ষমতা তোমালোকৰ কাৰোৱেই নাই)। তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই (যি মূৰ সোমাব পাৰে সৃষ্টিৰ বিষয়ত)-- (তেৱেঁই) মহাশক্তিশালী, পৰম জ্ঞানী।

৬ (হে মুহাম্মদ-ছাঃ!) তেৱেঁই সেইজন যিজনে তোমাৰ ওচৰত এই কিতাপ (অৰ্থাৎ কুৰআন) অৱতাৰণ কৰিছে ইয়াৰ মাজৰ কিছুমান আয়াত (বা শ্লোক) 'মুহকম' (বা নিৰ্দেশাত্মক বা মৌলিক, যি সুস্পষ্ট ভাৱে স্থিৰ নিশ্চিত অৰ্থ জ্ঞাপন কৰে), সেইবিলাক হৈছে (এই) গ্ৰন্থৰ ভিত্তি আৰু আনবিলাক 'মুতাশ্বাবিহ' (বা ৰূপক বা আলংকাৰিক, যাৰ শব্দগত তথা বাহ্যিক অৰ্থৰ পৰা অন্তৰ্নিহিত অৰ্থ ধৰিব লাগে নিৰ্দেশাত্মক আয়াতৰ বা বাস্তৱতাৰ ভিত্তিত, ৩৯:২৩)। কিন্তু সেইবিলাকৰ বেলিকা যিবিলাকৰ অন্তৰত আছে কুটিলতা সেইসকলে অনুসৰণ কৰে ইয়াৰ মাজৰ যিবিলাক ৰূপক (সেইবিলাক আয়াতক), ----বিৰোধ সৃষ্টিৰ কামনাত আৰু (সিহঁতৰ নিজ অভিসন্ধি অনুযায়ী আজে-বাজে মনেসজা কাহিনীৰ অৱতাৰণা কৰি) ইয়াৰ ব্যাখ্যা দিয়াৰ প্ৰচেষ্টাত (সেইহে যেতিয়াই কাল্পানিক ব্যাখ্যাৰ দ্বাৰা অন্যান্য আয়াতৰ সৈতে সিহঁতে গোজামিল সৃষ্টি কৰে তেতিয়া গাঁজাখোৰৰ দৰে কয় এই এই আয়াত মনছুখ বা বাতিল হৈ গৈছে; বস্তুতঃ কুৰআনৰ কোনো আয়াত অন্য আয়াতৰ দ্বাৰা বাতিল হ'ব নোৱাৰে, ৪:৮২ বৰং এটা আয়াত আনটোৰ সমৰ্থক বা পৰিপূৰক)। আৰু ইয়াৰ (সঠিক) ব্যাখ্যা আল্লহৰ বাহিৰে কোনেও নাজানে (কাজেই নিজৰ কল্পনাৰ পৰিৱৰ্তে আল্লাহৰ প্ৰত্যাদিষ্ট এই কুৰআনৰ পৰাই উলিয়াব লাগিব ৰূপক

আয়াতবোৰৰ অন্তৰ্নিহিত অৰ্থ)। আৰু যিসকল জ্ঞানৰ ওপৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত (৪:১৬২ আৰু সেইহে কুৰআন তথা সঠিক হাদিছৰ ওপৰতেই জ্ঞানৰ ভিত্তি স্থাপন কৰিছে) সেইসকলে কয়---'আমি ইয়াত বিশ্বাস কৰো, এই সকলোবিলাক আমাৰ প্ৰভুৰ ওচৰৰ পৰা (বিভিন্ন ধৰণে আমাক বুজাবলৈ অৱতীৰ্ণ হৈছে, ২৬:১৯৫; ৪৪:৫৮)।' আৰু (কুৰআনৰ অৰ্থ বা মৰ্ম উদ্ধাৰৰ এই পদ্ধতি অৱলম্বনত) কোনেও মনোযোগ নিদিয়ে জ্ঞানবানসকলৰ বাহিৰে।

৭ (তেওঁলোকে আৰু কয়) 'আমাৰ প্ৰভু! আমাৰ অন্তৰক বিপথগামী নকৰিবা আমাক হেদায়ত কৰাৰ (বা পথ দেখুওৱাৰ) পাচত; আৰু তোমাৰ ওচৰৰ পৰা আমাক কৰুণা প্ৰদান কৰা। নিসন্দেহে তুমি নিজে পৰম দানশীল।

৮ 'আমাৰ প্ৰভু! অৱশ্যেই তুমি (শত্ৰুতাভাৱাপন্ন) মানুহবোৰক সমবেত কৰিবলৈ গৈছো (সিহঁতৰ ৰাজহাড় ভাঙি শায়েস্তা কৰাৰ) এনে এক দিনৰ প্ৰতি যাৰ সম্বন্ধে কোনো সন্দেহ নাই।' আল্লাহে (সত্যৰ জয় আৰু অসত্যৰ লয়ৰ কাৰণে) ধাৰ্য স্থান-কালৰ নিশ্চয় সাল-সলনি নকৰে।

**পৰিচ্ছেদ - ২**

৯ যিসকলে অবিশ্বাস পোষণ কৰে (আৰু সেইকাৰণে নিজৰ ধন-জন দি ইছলামৰ বিৰোধিতা কৰিছে), সিহঁতৰ ধন-সম্পত্তি আৰু সিহঁতৰ সন্তান-সন্ততিয়ে দৰাচলতে আল্লাহৰ বিৰুদ্ধে কোনোভাৱেই সিহঁতক কেতিয়াও লাভবান নকৰিব। আৰু সিহঁত নিজেই হৈছে (দুযখৰ) জুইৰ শলা,----

১০ (সিহঁতৰ দৃষ্টান্ত হৈছে মুছা-আঃ-ৰ বিৰুদ্ধে) ফিৰআউনৰ দলৰ সংগ্ৰামৰ দৰে, আৰু যিবিলাক সিহঁতৰ পূৰ্ববৰ্তীসকলৰ অন্তৰ্ভুক্ত আছিল (সিবিলাকৰ নিজ নিজ ৰছুলৰ বিৰুদ্ধে চলাই যোৱা সংগ্ৰামৰ দৰে)। সিহঁতে আমাৰ প্ৰত্যাদেশ সমূহত মিথ্যা আৰোপ কৰিছিল, সেইকাৰণে আল্লাহে সিহঁতক ধৰিছিল সিহঁতৰ অপৰাধৰ নিমিত্তে (গতিকে সিহঁতে নিজে পতা ফান্দত নিজেই ধৰা পৰিলে)। আৰু আল্লাহ (পাপিষ্ঠসকলক) প্ৰতিফলদানত কঠোৰ।

১১ (হে মুহাম্মদ-ছাঃ!) যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতক কোৱা ---'(তোমালোকৰ পৰিণাম সম্বন্ধে এতিয়া আমাৰ সুনিশ্চিত ভৱিষ্যতবাণী শুনি লোৱা---) তোমালোক অচিৰেই পৰাজিত হ'বা (আমাৰ চকুৰ আগতে মুষ্টিমেয় মুছলিমৰ মুষ্টিঘাতত), আৰু (পৰকালত) তোমালোকক খেদি নিয়া হ'ব জাহান্নামৰ ফালে আৰু বেয়া সেই বিশ্ৰাম স্থান (২:২০৬)'।

১২ ইতিপূৰ্বে তোমালোকৰ কাৰণে (মুহাম্মদ-ছাঃ-ৰ সত্যতাৰ প্ৰমাণ স্বৰূপে) এটি নিদৰ্শন আহিছিল (বদৰৰ যুদ্ধক্ষেত্ৰত) দুই সৈন্যদল মুখামুখি হোৱাত--এদলে (ল'ৰা-বুঢ়া-মেদাকে ধৰি মাত্ৰ ৩১৩ জন) যুদ্ধ কৰিছিল আল্লাহৰ পথত, আৰু অন্যদল অবিশ্বাসী (যিবিলাক সংখ্যাত আছিল এহেজাৰ সুদক্ষ সৈনিক); এইসকলে (---মুছলিমসকলে) চকুৰে দেখাত সিহঁতক দেখিছিল নিজৰ (মাত্ৰ) দুগুণ (অথচ শত্ৰুপক্ষৰ আচল সংখ্যা দেখা পালে এওঁলোকৰ পক্ষে ভীত হৈ পৰাটোৱেই আছিল স্বাভাৱিক, ৮:৪৪,৬৬)। আৰু আল্লাহে নিজৰ সাহায্য দি (যেনে ফিৰিশ্বতা পঠিয়াই, ৮:৯) মদদ কৰে যাকে তেওঁ (যোগ্য বিবেচনাত) ইচ্ছা কৰে। নিসন্দেহে ইয়াত শিকনি আছে দৃষ্টিমানসকলৰ বাবে (যিসকলে সঁচা-মিছা বিচাৰ কৰি চাবলৈ সক্ষম)।

১৩ (সাধাৰণ) মানুহৰ পক্ষে মনোৰম বোধ হয় নাৰীৰ সাহচৰ্যৰ প্ৰতি আকৰ্ষণ আৰু সন্তান-সন্ততিৰ (প্ৰতি মোহ) আৰু সোণ-ৰূপৰ সঞ্চিত ভাণ্ডাৰৰ আৰু সুশিক্ষিত ঘোৰাৰ তথা গবাদি-পশুৰ আৰু খেতি পথাৰৰ (প্ৰতি আকৰ্ষণ)। এইবিলাক এই দুনিয়াৰ (ক্ষণস্থায়ী) জীৱনৰ আহিলাপাতি (তথা পাৰ্থিৱ মোহ); অথচ আল্লাহ--- তেওঁৰ ওচৰত আছে (চিৰ শান্তিৰ আবাস বা) উত্তম নিভৃত বিশ্ৰামস্থল।

১৪ (হে মুহাম্মদ-ছাঃ! ভোগবিলাসত অনুৰক্ত এইবিলাকক) তুমি কোৱা---'তোমালোকক এইবিলাকতকৈও ভাল বস্তুৰ খা-খবৰ দিম নে? যিসকল সুপথত চলে সেইসকলৰ নিমিত্তে তেওঁলোকৰ প্ৰভুৰ ওচৰত ৰৈছে বাগানসমূহ, যিবিলাকৰ তলেদি বৈ গৈছে নিজৰাবোৰ, তাতেই তেওঁলোক থাকিব চিৰকাল আৰু (পাব) পবিত্ৰ লগ-লগৰীয়া (২:২৫), আৰু আল্লাহৰ সন্তুষ্টি (৯:৭২)। আৰু আল্লাহ (তেওঁৰ) বান্দাসকলৰ পৰ্যবেক্ষক----

১৫ যিসকলে কয়---'আমাৰ প্ৰভু! আমি নিশ্চয় ঈমান আনিছো (আৰু সেই হিচাপে কাম কৰি গৈছো), এতেকে আমাৰ অপৰাধৰ পৰা তুমি আমাক ত্ৰাণ কৰা, আৰু (দুযখৰ) জুইৰ যাতনাৰ পৰা আমাক ৰক্ষা কৰা।'

১৬ '(এওঁলোক হৈছে কৰ্মক্ষেত্ৰত) ধৈৰ্যশীল, আৰু (কথাই-কামতে) সত্যপৰায়ণ আৰু (আল্লাহৰ প্ৰতি) অনুগত আৰু (জনগণৰ উপকাৰৰ কাৰণে) খৰচ কৰোতা আৰু (গোটেই দিনৰ সম্ভাব্য ভুল ভ্ৰান্তিৰ পৰা) শেহৰাতিত পৰিত্ৰাণ প্ৰাৰ্থী (যাতে গোটেই দিন ব্যপী উল্লেখিত গুণাৱলী অৰ্জনত এওঁলোকৰ কোনো ত্ৰুটি নহয়)।'

১৭ আল্লাহে (নিজে তেওঁৰ সুশৃঙ্খলাবদ্ধ সৃষ্টিৰ জৰিয়তে ২:১৬৪) সাক্ষ্য দিছে যে তেওঁৰ বাহিৰে অইন কোনো উপাস্য নাই আৰু ফিৰিশ্বতাসকলেও (মানুহৰ অন্তৰত আল্লাহৰ একত্বৰ প্ৰতি দৃঢ়প্ৰত্যয় জন্মাই) আৰু জ্ঞানৰ অধিকাৰীসকলে ন্যায়ত অধিষ্ঠিত হৈ (সমস্ত

যুক্তি-বিচাৰ-বিবেক প্ৰয়োগ কৰি একেই সুৰে আল্লাহৰ একত্বৰ সাক্ষ্য দিছে)। (আল্লাহ সম্পৰ্কে বিশ্বজনীন ঘোষণা হৈছে--) তেওঁৰ বাহিৰে কোনো উপাস্য নাই, মহাশক্তিশালী, পৰম জ্ঞানী।

১৮ নিসন্দেহে আল্লাহৰ ওচৰত ধৰ্ম হৈছে (একমাত্ৰ) ইছলাম (তথা আল্লাহৰ প্ৰতি সম্পূৰ্ণ আত্মসমৰ্পণ, ২:১১২ আৰু সেইটো হৈছে মানুহৰ প্ৰকৃতিগত ধৰ্ম, ৩০:৩০ আৰু ধৰ্মপিতা ইব্ৰাহীম-আঃ-কে ধৰি সকলো নবীৰেই ধৰ্ম আছিল ইছলাম ২:১২৮,১৩১; ৩:৬৬; ৫:৪৪; বস্তুতঃ প্ৰতিটো শিশু সন্তান মুছলিম হৈয়েই জন্ম লয়, কিন্তু মাতা-পিতাই তাক শেষলৈ ইহুদী বা খ্ৰীষ্টান কৰি তোলে, বুখাৰী ২৩:৭৯)। আৰু যিসকলে (ইতিপূৰ্বে এশিক) কিতাপ দিয়া হৈছিল সেইসকলে (এই বিষয়ে) মতভেদ কৰা নাই কেৱল সেইবিলাকৰ বাহিৰে যিবিলাকৰ ওচৰত জ্ঞানৰ বিষয় অহাৰ পিচতো নিজৰ মাজতে ঈৰ্ষা-বিদ্বেষ কৰিছিল (আৰু গৰ্ব কৰিছিল যে সিহঁতৰ নিজ হাতে গঢ়া ধৰ্মমতেই আল্লাহৰ মনোনীত ধৰ্মমত ২:৬২,৯৪)। আৰু যি আল্লাহৰ নিৰ্দেশৰ প্ৰতি অবিশ্বাস পোষণ কৰে (সি দেখিবলৈ পাব)--- নিসন্দেহে আল্লাহ হিচাপ-নিকাচত তৎপৰ।

১৯ কিন্তু (হে মুহাম্মদ-ছাঃ!) যদি সিহঁতে (তথাপি) তোমাৰ সৈতে বিবাদ কৰে তেন্তে তুমি কোৱা---'মই আল্লাহৰ পিনে মোৰ মুখ সম্পূৰ্ণৰূপে অনুগত কৰিছো আৰু যিসকলে মোক অনুসৰণ কৰে (তেওঁলোকেও কোনোভাৱেই ভিন্নমুখী নহয়)।' আৰু যিসকলক কিতাপ দিয়া হৈছে সেইসকলক (অৰ্থাৎ ইহুদী আৰু খ্ৰীষ্টানৰ নিচিনা লোকসকলক) কোৱা আৰু নিৰক্ষৰ সকলকো (অৰ্থাৎ ইছমাইল বংশীয় আৰবী লোকসকলকো, ৬২:২, যিসকলে কোনো ঐশী কিতাপ ইতিপূৰ্বে পোৱা নাই, ৩২:৩)-----'তোমালোকে (ইছলাম ধৰ্মৰ আদৰ্শ গ্ৰহণ কৰি আল্লাহৰ প্ৰতি) আত্মসমৰ্পণ কৰিছা নে (কিয়নো ইছলামেই হৈছে আল্লাহৰ একমাত্ৰ মনোনীত ধৰ্ম, ৩:১৮)?' এতেকে সিহঁতে যদি (ইছলামৰ নীতি গ্ৰহণৰ দ্বাৰা) আত্মসমৰ্পণ কৰে তেন্তে অৱশ্যেই সিহঁত সৎপথ প্ৰাপ্ত হ'ব; আৰু যদি সিহঁতে (এই বিশ্বজনীন ধৰ্মৰ পৰা, ২:২১৩) ঘূৰি যায় তেন্তে দৰাচলতে তোমাৰ ওপৰত (দায়িত্ব) হৈছে (আল্লাহৰ বাণী মানুহৰ ওচৰত) পৌছাই দিয়াৰ (৫:৯৯)। আৰু আল্লাহ (তেওঁৰ) বান্দাসকলৰ (মাজৰ কোনে কোন পথৰ পথিক আৰু কাৰ কি ক্ৰিয়াকলাপ সেই সকলো বিলাকৰেই) দৰ্শক।

**পৰিচ্ছেদ - ৩**

২০ নিসন্দেহে (ইহুদীবিলাকৰ দৰে) যিবিলাকে আল্লাহৰ নিৰ্দেশাৱলীত অবিশ্বাস পোষণ কৰে আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিবলৈ যায় (যেনেকৈ সিহঁতে এতিয়া তোমাক হত্যা কৰিবলৈ উঠি পৰি লাগিছে, ২:৬১) আৰু মানুহৰ মাজত যিসকলে ন্যায় প্ৰতিষ্ঠাৰ নিৰ্দেশ দিয়ে সেইসকলতো হত্যা কৰিবলৈ যায়----- সিহঁতক তুমি সুসংবাদ দিয়া ব্যথাময় যাতনাৰ।

২১ ইহঁতেই সেইবিলাক যিবিলাকৰ কাম-কাজ (পণ্ডশ্ৰমৰ দৰে) বৃথা হ'ব এই দুনিয়াত আৰু আখেৰাতত আৰু সিহঁতৰ কাৰণে সাহায্যকাৰীসকলৰ কোনোৰেই নাথাকিব (কাজেই তোমাৰ বিৰুদ্ধে সিহঁতৰ সমস্ত দপদপনি আৰু লম্ফ-জম্ফ বিফলে যাব)।

২২ তুমি সিহঁতৰ (অৰ্থাৎ ইহুদীসকলৰ) ফালে চোৱা নআই নেকি যিসকলক ধৰ্মগ্ৰন্থৰ কিছু অংশ দিয়া হৈছে (যাৰ বহুলাংশে সিহঁতে আকৌ কাৰচাজি কৰি সাল-সলনি কৰি লৈছে)? সিহঁতক আহ্বান কৰা হৈছে, আল্লাহৰ কিতাপৰ (অৰ্থাৎ কুৰআনৰ) পিনে (য'ত আছে সম্পূৰ্ণ আৰু পূৰ্ণাঙ্গ প্ৰত্যাদেশ ৫:৩), যাতে ই সিবিলাকৰ মাজত (সকলো ধৰণৰ সমস্যাৰ) মীমাংসা কৰিব পাৰে (যেনে-- ব্যভিচাৰৰ ক্ষেত্ৰত কুৰআনৰ সুস্পষ্ট নিৰ্দেশ চকুত আঙুলিয়াই দেখুৱাই দি, ২৪:২, ১৫:১৬; যদিও এনে বিষয়ত সিহঁতৰ গ্ৰন্থৰ, লেভ ২০:১০ আৰু যোহন ৮:৫ত বৰ্ণিত নিৰ্দেশত খেলিমেলি ৰৈছে)। তাৰ পিচত সিহঁতৰ মাজৰ এটি দল (যেনে ইহুদীসকলৰ এদল পণ্ডিতে ব্যভিচাৰৰ অপৰাধত নিজৰ ধৰ্মীয় বিধান অনুযায়ী শিলগুটিৰে ঢিলাই মাৰি পেলোৱাৰ নিৰ্দেশ অমান্য কৰি) ঘূৰি গ'ল, ফলত সিহঁত হ'ল অগ্ৰাহ্যকাৰী।

২৩ এনে আছিল (সিহঁতৰ ক্ৰিয়া-কীৰ্তি) কাৰণ সিহঁতে কয়-- '(দুযখৰ) জুইয়ে আমাক কদাচিতো স্পৰ্শ নকৰিব গণনাৰ দিন কেইটাৰ বাহিৰে (২:৮০)।' আৰু সিহঁতৰ (মনেগঢ়া) ধৰ্মমতত সিহঁতে নিজকে প্ৰতাৰণা কৰি চলিছে সিহঁতে (নিজৰ খেয়াল-খুচিমতে) যি জালিয়াতি কৰি আছে তাৰ দ্বাৰা।

২৪ গতিকে কেনে হ'ব (সিহঁতৰ অৱস্থা), যেতিয়া আমি সিহঁতক গোট খুৱাম এনে এক (চোকা বিচাৰৰ) দিনত যাৰ সম্বন্ধে কোনো সন্দেহ নাই; আৰু প্ৰত্যেক সত্বাকে পুৰাপুৰি প্ৰতিদান দিয়া হ'ব যি সি অৰ্জন কৰিছে আৰু সিহঁতৰ প্ৰতি (অকণমানো) অন্যায় কৰা নহ'ব?

২৫ তুমি কোৱা----'হে আল্লাহ! (ইহলৌকিক আৰু পাৰলৌকিক) সাম্ৰাজ্যৰ অধিপতি (বা সৰ্বাধিনায়ক)! তুমি যাকে (যোগ্য বিবেচনা কৰি) ইচ্ছা কৰা তাকে সাম্ৰাজ্য প্ৰদান কৰা; আকৌ যাৰ ওচৰৰ পৰা (অযোগ্য প্ৰমাণিত হোৱা হেতুকে) ইচ্ছা কৰা ৰাজত্ব কাঢ়ি নিয়া; আৰু (প্ৰত্যেকৰে নিজ নিজ দোষ-গুণ অনুযায়ী) যাকে খুচি সন্মান দান কৰা, আকৌ যাকে খুচি অপমানিত কৰা---তোমাৰ হাততেই ৰৈছে কল্যাণ (গতিকে বিশ্ববাসীৰ বৃহত্তৰ কল্যাণৰ বাবে 'আল্লাহৰ সাম্ৰাজ্য' বা স্বৰ্গৰাজ্য অযোগ্য পাত্ৰক হটাই দি যোগ্য পাত্ৰকে তুমি সমৰ্পণ কৰিবা, ম্যাথু ২১:৪৩)। নিসন্দেহে তুমি সকলোৰে ওপৰত সৰ্বশক্তিমান।

২৬ 'তুমি (আমাৰ বৰ্তমান আশ্ৰয়বিহীন অন্ধকাৰ) ৰাতিক প্ৰৱেশ কৰোৱা (বিজয়দীপ্ত) দিনলৈ আকৌ (ইছৰাইলৰ বৰ্তমান গৌৰৱময়)

দিনক প্ৰৱেশ কৰোৱা ৰাতিলৈ আৰু (মুছলিম জাতিৰ দৰে) প্ৰাণবান সকলক উদ্‌গত কৰা (পাপত নিমজ্জিত আৰববাসীৰ দৰে) মৃতকৰ পৰা, আকৌ (নিষ্কৰ্মা অযোগ্য) মৃতকক উলিয়াই আনা (ইছৰাইলসকলৰ দৰে একালত) জীৱন্তৰ পৰা আৰু (সেইদৰে তোমাৰ বিবেচনা অনুযায়ী) যাকে ইচ্ছা কাৰ বেহিচাপ জীৱিকা দান কৰা (৪:৫৪)।’

২৭ বিশ্বাসী সকলে যেন (যুদ্ধৰ সময়ত, ৬০:৮-১০) বিশ্বাসীসকলক বাদ দি অবিশ্বাসী সকলক বন্ধুৰূপে গ্ৰহণ নকৰে (কাৰণ দুষ্ট গৰুতকৈ শূন্য গোহালীও ভাল)। আৰু যি এনে কৰিব (সি খাল কাটি ঘৰিাল মাতি আনিব, সেই কাৰণে) আল্লাহৰ পৰা (তাৰ নিমিত্তে সাহায্যৰ) একোৱেই নাথাকিব, কিন্তু যদি তোমালোকে সিহঁতৰ পৰা সতৰ্কতা স্বৰূপ সাৱধান হ’বলৈ চোৱা (তেন্তে তেনে ক্ষেত্ৰত দোষ নহ’ব) আৰু আল্লাহে তোমালোকক তেওঁৰ (পৰা প্ৰতিফল পোৱা) সম্বন্ধে সাৱধান কৰিছে আৰু আল্লাহৰ ফালেই শেষ গতি।

২৮ (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা---‘তোমালোকৰ অন্তৰত যি (কুচিন্তা বা কুপ্ৰবৃত্তি) আছে তাক (দমন কৰি) লুকাই ৰাখা, অথবা তাক (কাৰ্যত পৰিণত কৰি) প্ৰকাশ কৰা, আল্লাহে সেইটো জানে (২:২৮৪)। আৰু তেওঁ জানে যি কিবা আছে মহাকাশত আৰু যি কিছু পৃথিৱীত (এতেকে তোমালোকে তেওঁৰ পৰা একোৱেই লুকুৱাব নোৱাৰিবা)। আৰু আল্লাহ সকলোৰে ওপৰত সৰ্বশক্তিমান।’

২৯ সেইদিনা (হিচাপ-নিকাচৰ সময়ত) প্ৰত্যেক সত্তাই দেখিবলৈ পাব ভাল যি কিবা সি কৰিছিল সেইটো (তাৰ সন্মুখত) হাজিৰ কৰা হৈছে আৰু বেয়া যি কিছু সি কৰিছিল সেইটোও, সি বিচাৰিব---তাৰ আৰু ইয়াৰ মাজত (অৰ্থাৎ বেয়া কাম তথা সেই দিনৰ মাজত) যদি সুদীৰ্ঘ ব্যৱধান থাকিলেহেঁতেন (যাতে ভয়ানক প্ৰতিফল ভোগ কৰাৰ পৰা কিছুদিনৰ বাবে নিস্তাৰ পালেহেঁতেন)। কিন্তু আল্লাহে তোমালোকক সাৱধান কৰিছে তেওঁৰ সম্বন্ধে (যাতে সময় থাকোতেই তোমালোক হুচিয়াৰ হ’ব পাৰা, ৩:২৭) আৰু আল্লাহ (তেওঁৰ খাটি) বান্দাসকলৰ প্ৰতি স্নেহময় (২:২৩)।

**পৰিচ্ছেদ - ৪**

৩০ (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা--‘তোমালোকে (অৰ্থাৎ জনসাধাৰণে, বিশেষকৈ ইহুদী আৰু খ্ৰীষ্টানসকলে, যিসকলে নিজকে আল্লাহৰ প্ৰিয়পাত্ৰ বুলি গপ কৰা, ৫:১৮) যদি আল্লাহকে (সঁচাকৈ) ভাল পোৱা তেন্তে তোমালোকে মোক অনুসৰণ কৰা, (তেনেহ’লে) আল্লাহে তোমালোকক ভাল পাব (যোহন ১৪:১৫,১৬; ১৫:১০) আৰু তোমালোকক পৰিত্ৰাণ কৰিব তোমালোকৰ অপৰাধৰ পৰা। কিয়নো আল্লাহ (দোষ ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।’

৩১ কোৱা---‘আল্লাহৰ আজ্ঞা পালন কৰা আৰু ৰছুলৰো (৪:৫৯)।’ কিন্তু যদি সেইসকল (অবাধ্য হৈ) ফিৰি যায় তেন্তে (জানি ৰাখা--) নিসন্দেহে আল্লাহে অবিশ্বাসীসকলক ভাল নাপায়।

৩২ (ইছা-আঃ-ক যেনেকৈ আল্লাহে মনোনীত কৰিছে তেনেকৈ) আল্লাহে নিশ্চয় আদম আৰু নুহ আৰু ইব্ৰাহীম (আঃ)-ৰ বংশধৰক (অৰ্থাৎ ইছমাইলীয় আৰু ইছৰাইলীয় উভয় গোত্ৰক) আৰু (মুছা আৰু হাৰুন-আঃ-ৰ পিতা) ইমৰানৰ পৰিয়ালক মানৰ গোষ্ঠীৰ ওপৰত উচ্চ মৰ্যাদা দিছিলে---

৩৩ (কেৱল বিশেষ কোনো গোত্ৰ বা সম্প্ৰদায়ক আল্লাহে প্ৰিয়পাত্ৰ বুলি মনোনীত কাৰ নাই, বৰং) এক বংশ পৰম্পৰা--একৰ পৰা সেইসকলৰ আনবিলাক (উদ্ভূত হৈছে, কাজেই সমুদায় মানৱগোষ্ঠী নিজ নিজ গুণ অনুযায়ী আল্লাহৰ প্ৰিয়পাত্ৰ)। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

৩৪ স্মৰণ কৰা! ইমৰান বংশৰ এগৰাকী তিৰোতাই কচলে (১৯:২৮)--- ‘মোৰ প্ৰভু! (মই ধৰ্মযাজকৰ সম্প্ৰদায়ৰ নাৰী হোৱা কাৰণে) মোৰ গৰ্ভত যি (পুতাই) আছে তাক মই তোমাৰ (সেৱাৰ) কাৰণে উচৰ্গ কৰিলো একান্তভাৱে, এতেকে মোৰ (এই লৰাজনক) কবুল কৰা; প্ৰকৃততে তুমি নিজেই সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।’

৩৫ তাৰ পিচত যেতিয়া তেওঁ তাক প্ৰসৱ কৰিলে, তেওঁ ক’লে--- ‘প্ৰভু! (আচৰিত কথা!) মই কিন্তু ইয়াকে প্ৰসৱ কৰিলো এটি কন্যা (আৰু মুছা-আঃ-ৰ বিধানমতে তিৰোতা মানুহে ধৰ্মযাজকতা কৰিব নোৱাৰে)।’ আৰু আল্লাহে ভালকৈয়ে জানে কি তেওঁ প্ৰসৱ কৰিলে। আৰু (যেহেতু মাক চাইহে জীয়েক) ল’ৰা সন্তান (যাৰ কথা তেওঁ ভাবিছিল সেইজন) কন্যা সন্তানৰ (যাক তেওঁ জন্ম দিছে তাৰ) নিচিনা নহয় (কাৰণ এই কন্যা যেই সেই কন্যা নহয়)। (তেওঁ আৰু কৈ যাব ধৰিলে---) ‘আৰু মই তাইৰ নাম ৰাখিলো মৰিয়ম, আৰু মই অৱশ্যেই তোমাৰ আশ্ৰয়ত তাইক ৰাখিছো, আৰু তাইৰ সন্তান-সন্ততিকো (তোমাৰ আশ্ৰয়ত ৰাখিছো) ভ্ৰষ্ট চয়তানৰ (প্ৰৰোচনাৰ) পৰা।’

৩৬ এতেকে তেওঁৰ প্ৰভুৱে তেওঁক (অৰ্থাৎ মাকৰ প্ৰাৰ্থনাক তথা মৰিয়মক) কবুল কৰিলে সুন্দৰ স্বীকৃতিৰ সৈতে, ফলত তেওঁক (--মৰিয়মক) বৰ্ধিত কৰিলে সুন্দৰ বৰ্ধনত; আৰু তেওঁৰ অভিভাৱকত্ব সমৰ্পণ কৰিলে (ধৰ্ম মন্দিৰৰ সেৱাইত) যাকাৰিয়াকে। যেতিয়াই যাকাৰি.ই তাইৰ ওচৰলৈ উপসনা স্থলত প্ৰৱেশ কৰিছিলে তাইৰ ওচৰত তেওঁ দেখিবলৈ পাইছিলে ৰিযেক (অৰ্থাৎ পাৰ্থিব খাদ্য বস্তু আৰু আধ্যাত্মিক জ্ঞানভাণ্ডাৰ)। তেওঁ কৈছিলে----‘হে মৰিয়ম! এইবিলাক তোমাৰ ওচৰত ক’ৰ পৰা (আহে)?’ তেওঁ ক’লে---‘(মোৰ কাৰণে

যেনেকৈ উপসনাকাৰীয়ে খাদ্য বস্তু উপহাৰ লৈ আহ তেনেকৈ আল্লাহক আৰাধনা কৰি তেওঁৰ পৰাও মই জ্ঞান আৰহণ কৰি থাকো, ফলত মূলতঃ) ই আল্লাহৰ তৰফৰ পৰা। নিসন্দেহে আল্লাহে যাকে (উপযুক্ত বিবেচনা কৰি) ইচ্ছা কৰে তাকে বেহিচাব ৰিযেক দান কৰে।’

৩৭ সৰু ছোৱালী মৰিয়মৰ মাজত এনে ধৰ্মনিষ্ঠাৰ প্ৰতিফলন দেখি যাকাৰিয়াৰ মনত অনুৰূপ ধৰ্মপৰায়ণ সন্তান লাভৰ আকাঙ্খা জাগিলে, গতিকে) তাতেই যাকাৰিয়াই তেওঁৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিলে; তেওঁ ক’লে--‘মোৰ প্ৰভু! তোমাৰ ওচৰৰ পৰা মোক এটি উত্তম সন্তান দিয়া (১৯:৪-৬)। নিসন্দেহে তুমি (সকলো) প্ৰাৰ্থনাৰ শ্ৰোতা।’

৩৮ তেওঁ উপসনাস্থলত নামাযত থিয় থাকোতে ফিৰিশ্বতাসকলে তেওঁক মাতি ক’লে--‘আল্লাহে নিশ্চয় আপোনাক সুসংবাদ দিছে (এজন পুত্ৰ সন্তান) ইয়াহয়াৰ (১৯:৭; ২১:৯০), (তেওঁ আহিছে) আল্লাহৰ বাণীৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ (৬:৩৪,১১৬; ১০:৬৪; ১৮:২৭, কাৰণ তেওঁৰ জন্মই তোমাৰ সৈতে আল্লাহৰ অংগীকাৰ ৰূপায়িত কৰিব, ৩:৪৪; ৪:১৭১; ৬৬:১২), আৰু (তেওঁ হ’ব) সন্মানিত আৰু চৰিত্ৰবান আৰু সাধুপুৰুষসকলৰ মাজৰ পৰা এজন নবী।’

৩৯ তেওঁ (আল্লাহক উদ্দেশ্য কৰি) ক’লে---‘মোৰ প্ৰভু! ক’ৰ পৰা মোৰ ল’ৰা হ’ব পাৰে, যেহেতু ইতিমধ্যেই মোৰ ওচৰত বাৰ্ধক্য আহি পাইছে, তদুপৰি মোৰ স্ত্ৰী বন্ধ্যা?’ তেওঁ ক’লে-- ‘এইদৰেই---আল্লাহে সেইটোৱেই কৰে যিটো তেওঁ বিচাৰে (কাজেই তোমাক আৰু তোমাৰ স্ত্ৰীক সন্তান উৎপাদনৰ উপযোগী কৰি তুলিবলৈ তেওঁ সক্ষম, ২১:৯০)।’

৪০ তেওঁ ক’লে--‘মোৰ প্ৰভু। মোৰ নিমিত্তে এটি নিদৰ্শন নিৰ্ধাৰিত কৰা (যাতে মোৰ অন্তৰত দৃঢ় প্ৰত্যয় জন্মে যে আমাৰো সন্তান জন্মিব পাৰে, ২:২৬০)।’ তেওঁ ক’লে--- ‘তোমাৰ নিদৰ্শন হৈছে এয়ে যে তুমি (এনে একান্তভাৱে মোৰ উপাসনাত মগ্ন থাকিবা যে) লোকজনৰ সৈতে তিনিদিন কথা নক’বা কেৱল (অত্যন্ত জৰুৰী ক্ষেত্ৰত) ইংগিতৰ বাহিৰে আৰু (এই সময়ত) তোমাৰ প্ৰভুক বেচিকৈ স্মৰণ কৰিবা আৰু তেওঁৰ গুণগান কৰিবা নিশাভাগত আৰু পুৱাবেলাতে (আৰু তাতেই তোমাৰ অন্তৰলৈ আহিব প্ৰশান্তি)।’

**পৰিচ্ছেদ - ৫**

৪১ আৰু স্মৰণ কৰা। (মৰিয়ম সাবালিকা হোৱাৰ পিচত যেতিয়া তেওঁক উপাসনালয় এৰি যাব লগা হ’ল তেতিয়া) ফিৰিশ্বতাসকলে ক’লে-----‘হে মৰিয়ম! নিশ্চয় আল্লাহে তোমাক (নবীৰ সুযোগ্যা মাতা হ’বলৈ) নিৰ্বাচন কৰিছে আৰু তোমাক পবিত্ৰ কৰিছে (শৈশৱৰ পৰাই) আৰু বিশ্বজগতৰ নাৰীসকলক ওপৰত তোমাকে সেইবাবে নিৰ্বাচন কৰিছে (৭:১৪৪)।

৪২ ‘হে মৰিয়ম। তোমাৰ প্ৰভুৰ অনুগত হৈ থাকা, আৰু সিজদা কৰা আৰু ৰুকু (অৰ্থাৎ শিৰ নত) কৰা ৰুকুকাৰীসকলৰ সৈতে (একেই জামাতত নামাযত শৰিক হৈ)।’

৪৩ (যদিও ইঞ্জীল গ্ৰন্থৰ প্ৰচলিত সংস্কৰণত মৰিয়ম আৰু ঈছা-আঃ-ৰ জীৱন বৃতান্ত লোকসকলে কুঁৱাকুইত আবৃত কৰি পেলাইছে তথাপি, হে মুহাম্মদ-ছাঃ!) এয়াই হৈছে অদৃশ্য বাৰ্তাসমূহৰ পৰা যিবিলাক তোমাৰ ওচৰত আমি প্ৰত্যাদেশ কৰিছো (যাৰ ফলত ধৰ্মপ্ৰাণ বান্দাৰূপে তেওঁলোকৰ প্ৰকৃত অৱস্তা সম্বন্ধে তুমি আলোকপাত কৰিব পাৰিছা আৰু বাতিল কৰিছা দুটি হীন মতবাদ, যেনে খ্ৰীষ্টানসকলৰ মতে ঈছা হৈছে মৰিয়মৰ গৰ্ভজাত স্বয়ং ঈশ্বৰৰ পুত্ৰ, আৰু ইহুদীসকলৰ মতে ঈছা হৈছে মৰিয়মৰ পৰা ওপজা জাৰজ সন্তান)। আৰু তুমি সিহঁতৰ কাষত নাছিলা যেতিয়া সিহঁতে কলম নিক্ষেপ কৰিছিল (অৰ্থাৎ লটাৰী খেলিছিল) সিহঁতৰ মাজত কোনে (স্বামীৰূপে) মৰিয়মৰ অভিভাৱকত্ব ল’ব সেই সম্পৰ্কে (সিদ্ধান্ত ল’বলৈ, কাৰণ মৰিয়মৰ নিচিনা ধৰ্মপ্ৰাণা নাৰীক স্ত্ৰীৰূপে পাবৰ কাৰণে বহু ব্যক্তি প্ৰাৰ্থী আছিল, তাৰ বাহিৰেও মৰিয়মক শৈশৱৰ পৰাই আল্লাহৰ উদ্দেশ্যে সঁপি দিয়াৰ কাৰণেও তেওঁৰ বিবাহৰ সম্বন্ধ ঠিক কৰা হৈছে মানুহৰ নিৰ্বাচনৰ পৰিৱৰ্তে আল্লাহৰ নিৰ্বাচন অনুযায়ী), আৰু তুমি সিহঁতৰ সমীপত নাছিলা যেতিয়া সিহঁতে (মৰিয়মৰ বিয়াৰ বিষয়ত) পৰস্পৰে কথা কটাকটি কৰিছিলে (তথাপি তুমি যে আচল ঘটনা লোক গোচৰ কৰিব পাৰিছা তাতেই প্ৰমাণ হৈছে যে তুমি আল্লাহৰ প্ৰত্যাদেশ অনুযায়ী কথা কৈছা)।

৪৪ স্মৰণ কৰা! (যেতিয়া ইউছুফ-মিস্ত্ৰীৰ লগত মৰিয়মৰ বিবাহৰ সম্বন্ধে লটাৰীৰ মাধ্যমেৰে পকাপকি হৈছে মাত্ৰ, লুক ১:২৬,২৭, তেতিয়া) ফিৰিশ্বতাসকলে ক’লে--‘হে মৰিয়ম, নিসন্দেহে আল্লাহে তোমাক সুসংবাদ দিছে তেওঁৰ পৰা এটি (ভৱিষ্যৎ) বাণীৰ দ্বাৰা (৩:৩৮; ১৫:৫৪,৫৫ এজন সুসন্তানৰ)--তেওঁৰ নাম হৈছে মছীহ (অৰ্থাৎ যি প্ৰচুৰ ভ্ৰমণ কৰিব, ২৩:৫০) মৰিয়ম পুত্ৰ ঈছা, ইহকাল আৰু পৰকালত সন্মানৰ যোগ্য আৰু তেওঁ হৈছে (আধ্যাত্মিক দিশত আল্লাহৰ) নৈকট্যত আনি লোৱা সকলৰ অন্তৰ্গত (৫৬:৭-১১)।

৪৫ ‘আৰু তেওঁ লোকসকলৰ সৈতে কথা ক’ব দোলনাত (থকা অৱস্থাত অৰ্থাৎ বাল্যকালত, আনসকলো স্বাস্থ্যবান ল’ৰা-ছোৱালীৰ দৰেই) আৰু বাৰ্দ্ধক্যকালত (অৰ্থাৎ তেওঁ ল’ৰাকালৰ পৰা বৃদ্ধ বয়স পৰ্যন্ত সুস্থ-সক্ষম জীৱন-যাপন কৰি মানুহ সদোপদেশ দিব, ৫:১১০) আৰু তেওঁ হ’ব সুকৰ্মীসকলৰ অন্যতম।’

৪৬ তেওঁ (আল্লাহক সম্বোধন কৰি) তেওঁ ক’লে-- ‘মোৰ প্ৰভু! ক’ৰ পৰা মোৰ সন্তান হ’ব (৩:৩৯) যেতিয়া (মোৰ) পুৰুষ মানুহে

(এতিয়াও) মোক স্পৰ্শ কৰা নাই?' তেওঁ ক'লে--'এইভাৱেই (অৰ্থাৎ পুৰুষৰ স্পৰ্শৰ জৰিয়তেই) আল্লাহে সৃষ্টি কৰে যিটো তেওঁ বিচাৰে (গতিকে তোমাৰ বিবাহ নিষ্পন্ন কৰাৰ আৰু সন্তান হোৱাৰ সকলো ব্যৱস্থা কৰিবলৈ তেওঁ সক্ষম, ১৯:২২,২৩)। (আৰু আচল কথা হৈছে) তেওঁ যেতিয়া কোনো বিষয় (কিবা কৰাৰ) সিদ্ধান্ত কৰে, তেওঁ তেতিয়া সেই সম্বন্ধে কেৱল কয়--'হোৱা' আৰু সেইটো (সৃষ্টিচক্ৰৰ নিয়ম অনুযায়ী নিৰ্ধাৰিত সময়ত, ৬:৬৭) হৈ যায় (২:১১৭)।

৪৭ 'আৰু তেওঁ তেওঁক শিকাব (বিভিন্ন) ধৰ্মগ্ৰন্থ আৰু জ্ঞান ভাণ্ডাৰ আৰু (মুছা-আঃ-ৰ ওচৰত প্ৰত্যাদিষ্ট বিধান) তওৰাত আৰু (তেওঁৰ নিজৰ কাৰণে নিৰ্ধাৰিত গ্ৰন্থ) ইঞ্জীল।

৪৮ 'আৰু (আল্লাহে তেওঁক বনাব) ইছৰাইল বংশীয়সকলৰ প্ৰতি ৰছুল। (তেওঁৰ বাণীৰ ধৰন হৈছে ৰূপক বা আলঙ্কাৰিক বৰ্ণনা আৰু সেই হিচাপে তেওঁ ক'ব---) নিসন্দেহে মই তোমালোকৰ ওচৰলৈ আহিছো তোমালোকৰ প্ৰভুৰ পৰা এটি নিৰ্দৰ্শন লৈ-- মই অৱশ্যেই তোমালোকৰ নিমিত্তে মাটিৰ পৰা তৈয়াৰী কৰিছো চৰাইৰ নিচিনা মূৰ্তি (অৰ্থাৎ মই কিছু সংখ্যক সাধাৰণ মাটিৰ মানুহক মোৰ শিষ্যৰূপে মনোনীত কৰিছো) তাৰ পাচত তাতে মই ফু মাৰো (অৰ্থাৎ আল্লাহৰ প্ৰত্যাদেশৰ দ্বাৰা অনুপ্ৰাণিত কৰো), তেতিয়া সেইটো পক্ষী হৈ যায় আল্লাহৰ ইচ্ছাত (অৰ্থাৎ পাৰ্থিব জীৱনৰ হীন-নীচ অৱস্থাৰ পৰা সিহঁতে তেতিয়া আধ্যাত্মিক জগতত উচ্চ পৰ্যায়ত বিচৰণ কৰিব ধৰে ৬:৩৮) আৰু মই আৰোগ্য কৰো (আধ্যাত্মিক ৰোগীসকলক, যেনে) অন্ধক (যি সত্যৰ আলোক দেখা পোৱা নাছিল) আৰু কুষ্ঠ ৰোগীক (যি পঙ্কিলতাত জীৱন-যাপন কৰি দেহ আৰু মনত দুষ্ট ক্ষত সৃষ্টি কৰিছিল, ১০:৫৭; ৪১:৪৪; ম্যাথু ১১:৫; ১৩:১৫) আৰু মই জীৱন দিও মৃতকক আল্লাহৰ ইচ্ছাত (অৰ্থাৎ যিসকল পাপত ডুবি গৈ নিষ্প্ৰাণ নিৰুত্তাপ জীৱন যাপন কৰিছিল সেইসকলক আধ্যাত্মিক জীৱনলৈ অনুপ্ৰাণিত কৰি উদ্দীপনাময় আৰু কৰ্মচঞ্চল কৰি তোলা, ৬:১২৩; ৮:২৪; ৩৫:২২ অৱশ্যে যিসকলে দৈহিক ক্ষেত্ৰত এবাৰ মৃত্যুমুখত পৰে সিবিলাকে এই দুনিয়াত পুনৰবাৰ জীৱন ঘুৰাই নাপায়, ২১:৯৫; ২৩:১০০; ৩৯:৪২)। আৰু মই তোমালোকক খবৰ দিও যিবিলাক (হালাল ৰুজি হিচাপে) খাৱা আৰু যি তোমালোকে নিজৰ ঘৰত মজুত কৰি ৰাখা। নিসন্দেহে ইয়াত বিশেষ নিৰ্দৰ্শন আছে তোমালোকৰ কাৰণে যদি তোমালোক বিশ্বাসী হোৱা;

৪৯ 'আৰু তওৰাতৰ পৰা মোৰ ওচৰত যিখিনি (বাণী অৱশিষ্ট) আছে (আৰু মইহিছো) তাৰ সত্য সমৰ্থনকাৰীৰূপে (ম্যাথু ৫:১৭), আৰু ইম যাতে তোমালোকৰ নিমিত্তে বৈধ কৰিব পাৰো তাৰে কিছুমান যি তোমালোকৰ বাবে (পূৰ্ববৰ্তী অৱস্থাৰ পৰিপ্ৰেক্ষিতত) হৈছিল; নিষিদ্ধ আৰু মই তোমালোকৰ ওচৰলৈ আহিছো তোমালোকৰ প্ৰভুৰ পৰা এটি (কালোপযোগী) বাণী লৈ, এতেকে আল্লাহক ভয়-শ্ৰদ্ধা কৰা আৰু মোক অনুসৰণ কৰা।

৫০ 'নিসন্দেহে আল্লাহ মোৰ প্ৰভু আৰু তোমালোকৰ প্ৰভু, এতেকে তেওঁৰেই উপাসনা কৰা---এয়ে হৈছে সহজ-সঠিক পথ (১:৫; ১৯:৩৬)।'

৫১ কিন্তু যেতিয়া ঈছা (আঃ)-এ (তেওঁৰ জীৱিত অৱস্থাতে) সিহঁতৰ মাজত (অৰ্থাৎ তেওঁৰ সম্প্ৰদায়ৰ মাজত) অবিশ্বাস বোধ কৰিলে, তেওঁ ক'লে----'কোন কোন আল্লাহৰ পথত মোৰ সাহায্যকাৰী হ'বা?' হাৱাৰীসকলে (অৰ্থাৎ শিষ্যসকলে) ক'লে---'আমি আল্লাহৰ (পথত) সাহায্যকাৰী হ'ম; আমি আল্লাহতে বিশ্বাস কৰো আৰু তুমি সাক্ষ্য দিয়া যে আমি হৈছো আত্মসমৰ্পণকাৰী (মুছলিম আৰু তুমি আজীৱন তোমাৰ অনুগতৰূপে আমাক দেখা পাবা, ৫:১১৭)।

৫২ 'আমাৰ প্ৰভু! আমি ঈমান আনিছো তাত (অৰ্থাৎ তওৰাত, ম্যাথু ৫:১৭-১৯ আৰু ইঞ্জীলত) যি তুমি অৱতাৰণা কৰিছা, আৰু আমি ৰছুলক (অৰ্থাৎ ঈছাক) অনুসৰণ কৰো; এতেকে আমাক লিখি ৰাখা (সত্যৰ সাক্ষীদিওঁতাসকলৰ সৈতে (একে পৰ্যায়ভুক্ত কৰি)।'

৫৩ আৰু সিহঁতে (অৰ্থাৎ ইহুদী বিলাকে) চক্ৰান্ত কৰিছিল (ইছাক মিছলীয়া সাব্যস্ত কৰিবলৈ, ডিউ ১৮:২০ আৰু ক্ৰুচবিদ্ধ অৱস্থাতে তেওঁৰ মৃত্যু ঘটাই তেওঁক অভিশপ্ত প্ৰমাণ কৰিবলৈ, ডিউ ২১:২৩) আৰু আল্লাহেও পৰিকল্পনা কৰিছিলে (সিহঁতৰ সমস্ত চাতুৰী নাকচ কৰি দিবলৈ, সেইকাৰণে তেওঁ ইছা-আঃ-ক ক্ৰুচতে অচেতন কৰি পেলাইছিলে, লুক ২৪:৩৯-৪৩; যোহন ২০:২৪-২৭, ফলত তেওঁক মৃত বুলি ভ্ৰম হৈছিল, ৪১:৫৭)। আৰু আল্লাহ পৰিকল্পনাকাৰীসকলৰ ভিতৰত সৰ্বোত্তম (সেইকাৰণে অচেতন ঈছা-আঃ-ক ক্ৰুচৰ পৰা নমোৱাৰ পিচত পাহাৰৰ গুহাত গোপনে শুশ্ৰূষা কৰাৰ ব্যৱস্থা কৰিছিলে যাৰ ফলত ক্ৰুচৰ ক্ষতৰ পৰা উপশম হোৱাৰ লগে লগে তেওঁ সেই দেশ এৰি গুচি যাব পাৰিছিল, মাৰ্ক ১৫:৪৩-৪৬ যোহন ১৯:৪)।

**পৰিচ্ছেদ - ৬**

৫৪ স্মৰণ কৰা। আল্লাহে ক'লে--'হে ঈছা, মই নিশ্চয় তোমাৰ (বৃদ্ধ বয়সত, ৩:৪৫, স্বাভাৱিক ভাৱে) মৃত্যু ঘটাম (৩:১৪৪,১৯২; ৪:১৫; ৭:১২৬; ৮:৫০; ১০:৪৬,১০৪; ১২:১০১; যোহন ৯:৫) আৰু মই (সৰ্বত্ৰ বিৰাজমান অৱস্থাত) তোমাক মোৰ ফালে (সন্মান আৰু মৰ্যাদাত) উন্নীত কৰিম (২:২৫৩; ৬:৮৪,১৬৬; ৭:১৭৬; ১৯:৫৭; ২৪:৩৬; ৩৫:১০; ৪৩:৩২; ৫৬:৩; ৫৮:১১; ৯৪:৪, কিন্তু মহাকাশত

উঠাই নি নহয়, কিয়নো মই তোমালোকৰ প্ৰাণশিৰাতকৈও ওচৰত অৱস্থান কৰিছো, ৫০:১৬, গতিকে তোমাক অভিশপ্ত বুলি অপবাদ দি নিম্নস্তৰত পেলাই ৰখাৰ পৰা মই মুক্তিদান কৰিম, ৩:৫৩), আৰু (মুহাম্মদ-ছাঃ-ৰ জৰিয়তে) তোমাক পৰিশোধিত কৰিম (ইহুদীসকলৰ নিচিনা) যিসকলে অবিশ্বাস পোষণ কৰে সেইসকলৰ (প্ৰদত্ত অপবাদ যথা অবৈধভাৱে জন্মলাভ, ৪:১৫৬ অধাৰ্মিক জীৱন-যাপন আৰু ক্ৰুচৰ ওপৰত অভিশপ্ত মৃত্যুবৰণ ইত্যাদিৰ) পৰা আৰু যিসকলে তোমাক অনুসৰণ কৰিব সেইসকলক মই স্থান দিম যিসকলে অবিশ্বাস পোষণ কৰে সিহঁতৰ ওপৰত কিয়ামতৰ দিনলৈকে (আৰু তেনেকুৱা মুছা-আঃ-ৰ অনুৱৰ্তী ঈছা-চীহ-ৰ অনুসৰণকাৰী খাঁটি খ্ৰীষ্টানসকলৰ দৰে মুহাম্মদ-ছাঃ-ৰ অনুৱৰ্তী প্ৰতিশ্ৰুত-মছীহ-ৰ অনুসৰণকাৰী খাঁটি মুছলিমসকলক স্থান দিম ইহুদীতুল্য কাটমোল্লাসকলৰ বহু ওপৰত, ৬২:৫)। ইয়াৰ পাচত মোৰেই ওচৰলৈ তোমালোকৰ প্ৰত্যাৱৰ্তন স্থান, তেতিয়া মই তোমালোকৰ মাজত বিচাৰ কৰিম (ঈছা-আঃ-ৰ জন্ম-জীৱন-মৃত্যু সম্বন্ধে) য'ত তোমালোকে মতভেদ কৰিছিলা সেই বিষয়ে।

৫৫ এতেকে যিবিলাকে অবিশ্বাস পোষণ কৰে মই সিহঁতক শাস্তি দিম কঠোৰ শাস্তিৰে এই দুনিয়াত আৰু পৰলোকত (ফলত সিহঁত দেশ-দেশান্তৰত দিশহাৰাহৈ চক্কৰ দি, থাকিব, ৩:১১১), আৰু সিহঁতৰ কাৰণে সাহায্যকাৰীসকলৰ কোনোৰেই নাথাকিব।

৫৬ আৰু যিসকলে ঈমান আনিছে আৰু ভাল কাম কৰিছে, তেওঁলোকৰ প্ৰাপ্য (পুৰস্কাৰ) তেওঁলোকে পুৰাপুৰি দিয়া হ'ব (৩:২৫)। আৰু (ঈছা-আঃ-ক 'আল্লাহৰ পুত্ৰ' বা 'কুমাৰী মৰিয়মৰ সন্তান' বুলি দাবীদাৰ খ্ৰীষ্টানসকলৰ দৰে) অন্যায়কাৰী বিলাকক আল্লাহে ভাল নাপায়।

৫৭ (হে মুহাম্মদ-ছাঃ!) এইটোৱেই (ইতিহাসৰ সেই গুপ্ত সন্ধান, ৩:৪৩) যিটো মই তোমাৰ ওচৰত বৰ্ণনা কৰিছো (মোৰ) নিৰ্দেশবাণী আৰু জ্ঞানময় উপদেশৰ পৰা (যাতে বিশ্ববাসীৰ ওচৰত ঈছা-আঃ-ৰ সঠিক কাহিনী তুমি পৌছাই দিব পাৰা)।

৫৮ নিসন্দেহে ঈছাৰ (জন্ম সংক্ৰান্ত) দৃষ্টান্ত হৈছে আল্লাহৰ ওচৰত আদমৰ দৃষ্টান্তৰ দৰে (আৰু অন্যসকলো আদমৰ দৰে তেওঁৰো মাতা আৰু পিতা উভয়েই আছিল, ৬:৮৬,৮৮)। তেওঁ তেওঁক সৃষ্টি কৰিছিলে মাটিৰ পৰা (যেনেকৈ তেওঁ আন আদম-সন্তানসকলক সৃষ্টি কৰি থাকে, ২২:৫; ৩৫:১১; ৪০:৬৭); তাৰ পাচত তেওঁক কৈছিল---'হোৱা', গতিকে (বিশ্বজগতৰ সকলোক যিদৰেই আল্লাহে সৃষ্টি কৰে ঠিক সেইদৰে) তেওঁ (সৃষ্টিচক্ৰৰ নিয়ম অনুযায়ী) হৈ গ'ল (২:১১৭; ৩:৪৬; ৬৭:৩,৪)।

৫৯ (হে মুহাম্মদ-ছাঃ! এইটো) তোমাৰ প্ৰভুৰ পৰা অহা ধ্ৰুৱসত্য; গতিকে (পূৰ্বপৰ নবী-ৰছুলসকলৰ দৰে ঈছাও এজন মানৱ সন্তান আছিল, ১৪:১১ আৰু তেখেতৰ জন্ম তথা মৃত্যু যে প্ৰাকৃতি নিয়ম অনুযায়ী অন্য সকলো মানুহৰ দৰেই হৈছিল সেই বিষয়ে, ৪:১৭১; ৫:৭৫) তোমালোকে সন্দেহকাৰীসকলৰ দলভুক্ত নহ'বা।

৬০ এতেকে (মদীনাত তোমাৰ মছজিদত অৱস্থানৰত নাযৰানৰ পৰা অহা খ্ৰীষ্টান প্ৰতিনিধিদলৰ দৰে) যিবিলাকে তোমাৰ সৈতে এই বিষয়ে (অৰ্থাৎ ঈছা-আঃ-ক 'আল্লাহৰ পুত্ৰ' বা 'কুমাৰী মৰিয়মৰ সন্তান' বুলি বদ্ধমূল ধাৰণা লৈ) বিবাদ কৰে তোমাৰ ওচৰলৈ (সঠিক) জ্ঞানৰ যি আহিছে তাৰ পাচতো (অৰ্থাৎ ঈছা-আঃ যে আন মানুহৰ দৰে এজন মানুহ, লুক ৩:২৩-৩৮; ম্যাথু ১:১; ৯:৬; ১৩:৫৫ আৰু নবী বিশেষ, যোহন ১৭:৩, সেই কথা সাব্যস্ত হোৱাৰ পাচতো) তেনেহ'লে (শেষ চেষ্টা স্বৰূপে) কোৱা ---'আহা, আমি মাতি আনো আমাৰ সন্তানসকলক আৰু তোমালোকৰ সন্তানসকলক আৰু আমাৰ তিৰোতাসকলক আৰু তোমালোকৰ তিৰোতাসকলক আৰু আমাৰ নিজা লোকসকলক আৰু তোমালোকৰ নিজা লোকসকলক, তাৰ পাচত আমি মিনতি কৰো (আমাৰ প্ৰভুৰ দৰবাৰত) যেন আল্লাহৰ অভিশাপ পৰে মিছলীয়াসকলৰ ওপৰত (যাতে আমাৰ মাজৰ কোনদল সঠিক পথত আছে তাৰ চূড়ান্ত নিষ্পত্তি হৈ যায়, ২:৯৪)।'

৬১ নিসন্দেহে এয়ে হৈছে (ঈছা-আঃ-ৰ সম্বন্ধে) যথাৰ্থ সত্য বিবৃতি; আৰু আল্লাহৰ ব্যতিৰেকে কোনো উপাস্য নাই। আৰু নিসন্দেহে আল্লাহ---তেওঁ অৱশ্যেই মহাশক্তিশালী, পৰম জ্ঞানী।

৬২ কিন্তু সিহঁতে যদি (জাগি থাকি টোপনিৰ ভাও ধৰে আৰু জানি শুনি মুবাহেলাৰ প্ৰাৰ্থনাৰ পৰা, ৩:৬০) ফিৰি যায়, তেনেহ'লে আল্লাহ গণ্ডগোলকাৰীসকলৰ জ্ঞাতা (কাজেই সিহঁতক তেওঁ উপযুক্ত শিক্ষাই দিব)।

**পৰিচ্ছেদ - ৯**

৬৩ (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা---'হে গ্ৰন্থপ্ৰাপ্ত লোকসকল, আমাৰ মাজত আৰু তোমালোকৰ মাজত (উভয় দলৰ পিতৃ-পুৰুষ ইব্ৰাহীম-আঃ-ৰ প্ৰৱৰ্তিত ধৰ্মমতৰ ভিত্তিত) পৰস্পৰ বুজাবুজিৰ মাজলৈ আহা, যেন আমি আল্লাহৰ ব্যতিৰেকে অইন কাৰো উপসনা নকৰিম (মাৰ্ক ১২:২৯) আৰু তেওঁৰ সৈতে অন্য কোনোবাক (যেনে ঈছা, বুদ্ধ, ৰাম, শ্যাম তথা অন্যান্য দেৱ-দেৱীক) শ্বৰীক নকৰিবা (৯:৩০; ডিউ ৬:৪) আৰু আমি কোনেও আল্লাহক বাদ দি (সাধু-সন্যাসী, পীৰ-মুৰচিদ, গুৰু বাবা প্ৰভৃতি, ৪:৪৯; ৯:৩১) অন্য কাকোৰেই মনিব বুলি গ্ৰহণ নকৰিম (২৯:৬৯)।' কিন্তু সিহঁতে যদি (এনে উদাৰ নীতিত পৰস্পৰ বুজাপৰা কৰি মিলিজুলি থাকিবলৈ ৰাজী নহৈ) ফিৰি যায় তেন্তে তোমালোকে কোৱা---'সাক্ষী থাকা, আমি কিন্তু (শান্তিকামী) মুছলিম।'

৬৪ হে গ্ৰন্থধাৰিসকল! তোমালোকে কিয় (নিজৰ ছাংৰ লগতে যুজাৰ দৰে তোমালোকৰ পিতৃপুৰুষ) ইব্ৰাহীম (আঃ) সম্বন্ধে বিবাদ কৰা

অথচ (তোমালোকৰ ইহুদীসকলৰ গ্ৰন্থ) তওৰাত আৰু (খ্ৰীষ্টানসকলৰ) ইঞ্জীল তেওঁৰ পিছত ছাড়া (আগতে) অৱতীৰ্ণ হোৱা নাই? তোমালোকে কি তেনেহ'লে (একোৱেই) নুবুজা (নে বুজিও নুবুজাৰ ভাও ধৰা)?

৬৫ চোৱা! তোমালোকেই সেইবিলাক যিবিলাকে তৰ্ক-বিতৰ্ক কৰিছা যি বিষয়ত তোমালোকৰ (কিছু) জ্ঞান আছিল (যথা ইছাৰ জন্ম, জীৱন আৰু মৃত্যু সম্বন্ধে) তেন্তে কিয় তোমালোকে বিবাদ কৰিছা যি বিষয়ত (অৰ্থাৎ ইব্ৰাহীম-আঃ সম্বন্ধে) তোমালোকৰ একো জ্ঞান নাই? আৰু আল্লাহে (সকলো) জানে, অথচ তোমালোকে (একোৱেই নাজানা)।

৬৬ ইব্ৰাহীম (আঃ) ইহুদী নাছিল, খ্ৰীষ্টানো নহয়, বৰং তেওঁ আছিল একনিষ্ঠ (আত্মসমৰ্পিত) মুছলিম আৰু তেওঁ মুশ্বৰিক বিলাকৰ (অৰ্থাৎ বহুখোদাবাদী বিলাকৰ) অন্তৰ্ভুক্ত নাছিল।

৬৭ বাস্তৱতে ইব্ৰাহীম (আঃ)-ৰ নিকটতম লোক আছিল--- যিসকলে তেওঁক অনুসৰণ কৰি চলিছিল (লাগে সেইসকল ইছৰাইলীয় বা ইছমাইলীয় যিয়েই নহওক) আৰু এই নবী (মুহাম্মদ-ছাঃ যিজনে তেওঁক পদে পদে অনুসৰণ কৰিছে আৰু মহিমা গাইছে) আৰু যিসকলে (মুহাম্মদ-ছাঃৰ সৈতে খাটি মুছলিমৰূপে) ঈমান আনিছে আৰু আল্লাহ বিশ্বাসীসকলৰ ৰক্ষাকাৰী বন্ধু।

৬৮ গ্ৰন্থপ্ৰাপ্তসকলৰ এদলে বিচাৰে যেন সিহঁতে তোমালোকক বিপথগামী কৰিব পাৰে। আৰু (আচলতে) সিহঁতে নিজৰ বাহিৰে আন কাকোৱেৰ বিপথে নিব নোৱাৰে; কিন্তু সিঁহতে (এনে কুকৰ্মৰ প্ৰতিফল কি হ'ব সেইটো) বুজিব পৰা নাই।

৬৯ হে গ্ৰন্থাধাৰিসকল! কিয় তোমালোকে আল্লাহৰ নিৰ্দেশ সমূহত অবিশ্বাস পোষণ কৰা, অথচ তোমালোকে (ইয়াৰ সত্যতাৰ) সাক্ষ্য দিছা?

৭০ হে গ্ৰন্থাধাৰিগণ! কিয় তোমালোকে সত্যক মিছাৰ আৱৰণ পিন্ধাই দিছা আৰু তোমালোকে জানি শুনিও সত্যক লুকাইছা?

**পৰিচ্ছেদ - ৮**

৭১ আৰু (যেহেতু ধৰ্মত্যাগীসকলৰ কাৰণে ইছলামে প্ৰাণদণ্ডৰ বিধান দিয়া নাই, ২:২৫৬ সেই কাৰণে) গ্ৰন্থপ্ৰাপ্তসকলৰ এদলে (যেনে মদীনাত বসবাস কৰা ইহুদীসকলে) কয়---'যিসকলে ঈমান আনিছে সিসকলৰ ওচৰত যি নাযিল হৈছে তাত তোমালোকেও বিশ্বাস কৰা দিনৰ আগবেলাত আৰু (সিহঁতৰ মনোবল কমজোৰ কৰাৰ উদ্দেশ্যে) তাৰ পিছবেলা (সেইটো) প্ৰত্যাখ্যান কৰা, যাতে সিহঁতেও (অৰ্থাৎ মুছলিমসকলেও ভাবিব পাৰে যে কুৰআনত গ্ৰহণযোগ্য একো নাই, ফলত ইছলামৰ পৰা সিহঁত যেন) উভতি আহে।

৭২ 'তদুপৰি (ঈছা-আঃ-ৰ দৰে) যিজনে তোমালোকৰ ধৰ্ম (অৰ্থাৎ মুছা-আঃ-ক দিয়া বিধান, ম্যাথু ৫:১৭-১৯) অনুসৰণ কৰে তেওঁৰ বাহিৰে (মুহাম্মদৰ দৰে অন্য লোকৰ প্ৰতি) ঈমান নানিবা।' (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা-----'বাস্তৱিকতে (আচল) হেদায়ত (তথা পথ প্ৰদৰ্শন) হৈছে আল্লাহৰ হেদায়ত (যি কুৰআনত লিপিৱদ্ধ হৈ আছে); এতেকে তোমালোকক যি (তওৰাত) দিয়া হৈছিল তাৰ নিচিনা (গ্ৰন্থ) আন এজনকো (অৰ্থাৎ মুহাম্মদ-ছাঃ-ক) দিয়া হৈছে, অথবা এইসকলে (---তোমালোকৰ ভাতৃগোষ্ঠী ইছমাইলীয়সকলে) তোমালোকৰ প্ৰভুৰ সন্মুখত তোমালোকৰ সৈতে বিৰ্তক কৰিব পাৰিব (এইবুলি---তোমালোকৰ গ্ৰন্থত বৰ্ণিত ভৱিষ্যৎবাণী, যেনে-- মুছা-আঃ-ৰ দৰে এজন নবী তোমালোকৰ ভ্ৰাতৃগোষ্ঠী ইছমাইলীবংশত আবিৰ্ভূত হ'ব, ডিউ ১৮:১৮ সেইটো সফল হৈছে মোৰেই আগমনত, ৫৭:১-৭; ৭৩:১৫)।' (আৰু) কোৱা---'প্ৰকৃততে (নবী মনোনয়নৰ, ২:২৫৩) অনুগ্ৰহ আল্লাহৰ হাতত; তেওঁ সেইটো দান কৰে যাকে পছন্দ কৰে। আৰু আল্লাহ মহাদানশীল, সৰ্বজ্ঞাতা;'---

৭৩ তেওঁৰ কৰুণাবশতঃ (নবীৰূপে, ২:১০৫) তেওঁ নিৰ্বাচন কৰে যাকে তেওঁ পছন্দ কৰে আৰু আল্লাহ বিপুল মহিমাৰ অধিকাৰী (কাজেই যোগ্য পাত্ৰতেই তেওঁ নবীত্বৰ দায়িত্ব অৰ্পণ কৰে)।

৭৪ আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ মাজত এনে লোকো আছে যাৰ ওচৰত তুমি যদি এসোপা (ধনসম্পত্তি) আমানত ৰাখা সেইজনে তোমাক সেইখিনি ঘূৰাই দিব; আৰু সিহঁতৰ মাজত এনেও আছে যাৰ ওচৰত যদি তুমি এটি দিনাৰ (বা ফুটা পইচা) জমা ৰাখা সি তোমাক সেইখিনি ঘূৰাই নিদিব, যদিহে তুমি তাৰ ওচৰত (নাছোৰবান্দাভাৱে তাগিদা দি) থিয় দি নাথাকা। এইদৰে (সিহঁতে কৰি থাকে) কিয়নো সিহঁতে কয়----'অক্ষৰজ্ঞানহীনসকলৰ (অৰ্থাৎ অশিক্ষিত আৰববাসীৰ) বিষয়ত আমাৰ কোনো পথ ধৰি চলাৰ দায়িত্ব নাই (সেইকাৰণে সিহঁতৰ সৈতে আমি যেনেকুৱা-তেনেকুৱা ব্যৱহাৰেই কৰিব পাৰো)।' আৰু সিহঁতে আল্লাহ সম্বন্ধে (যা-তা) মিথ্যাৰোপ কৰে যদিও সিহঁতে (ভাল কৰিয়েই) জানে (কি খেল সিহঁতে খেলিছে)।

৭৫ হয়, যিজনে নিজৰ অংগীকাৰ পালন কৰে আৰু (আল্লাহক) ভয় ভক্তি কৰি চলে, তেতিয়া নিশ্চয় আল্লাহ ধৰ্মভীৰুসকলক ভাল পায়।

৭৬ নিসন্দেহে (মদীনাৰ ইহুদীসকলৰ দৰে) যিসকলে আল্লাহৰ অংগীকাৰ আৰু (মুছলিমসকলৰ সৈতে কৰা) সিহঁতৰ প্ৰতিশ্ৰুতি কমদামত বিক্ৰী কৰি দিয়ে (অৰ্থাৎ সামান্য অজুহাত বা সুবিধা পালেই চুক্তি ভংগ কৰে), সিহঁতে---পৰকালত সিহঁতৰ কাৰণে (স্বৰ্গসুখৰ)

কোনো ভাগ নাথাকিব, আৰু আল্লাহে সিহঁতৰ সৈতে কথাও নক'ব বা সিহঁতৰ পিনে কিয়ামতৰ (পুনৰুত্থানৰ) দিনা (ফিৰিও) নাচাব (কাৰণ তেতিয়া আল্লাহে সিহঁতৰ সৈতে প্ৰেমপ্ৰীতিৰ সমস্ত সম্পৰ্ক ছিগি পেলাব) আৰু তেওঁ সিহঁতক (আঁকোৱালি ল'বলৈ যোগ্য কৰাৰ কাৰণে) শুদ্ধও নকৰিব (গতিকে সিহঁতৰ প্ৰবঞ্চনাৰ ফলস্বৰূপে সেইদিনা সিহঁত সকলো ফালৰ পৰাই বঞ্চিত লাঞ্ছিত হৈ থাকিব) আৰু সিহঁতৰ নিমিত্তে আছে কঠোৰ শাস্তি।

৭৭ আৰু নিশ্চয় সিহঁতৰ মাজত এদলে গ্ৰন্থপাঠত সিহঁতৰ জিভাক পকাই তোলে যাতে তোমালোকে ভাবিব পাৰা যে সেইটো গ্ৰন্থৰ পৰাই, অথচ (আচলতে) সেইটো গ্ৰন্থৰ পৰা নহয়। আৰু সিহঁতে কয়----'এইখিনি আল্লাহৰ ওচৰৰ পৰা' যদিও সেইখিনি আল্লাহৰ ওচৰৰ পৰা নহয় (বৰঞ্চ সিহঁতৰ মনে গঢ়া কাৰচাজি, ২:৭৫,৭৯; ৫:১৩,৪১)। আৰু সিহঁতে আল্লাহ সম্বন্ধে মিছা কথা কয়, যদিও সিহঁতে (সকলোখিনি ভাল কৰিয়েই) জানে।

৭৮ (কোনো নবীয়ে কোনো কালেই নিজকে খোদা বুলি দাবী কৰা নাই, ডিউ ৬:৪, ঈছা-আঃ-এও তেনে কৰা নাই, মাৰ্ক ১২:২৯ কাৰণ) কোনো মানুহৰ ক্ষেত্ৰত এইটো হোৱা নাই যে আল্লাহে তেওঁক ধৰ্মগ্ৰন্থ আৰু নিৰ্দেশনামা আৰু নবুওৱৎ (বা পয়গম্বৰত্ব) দিব, তাৰ পিচত তেওঁ লোকসকলক ক'ব---'তোমালোকে আল্লাহক এৰি মোৰ উপাসনাকাৰী হোৱা' বৰং (তেওঁ ক'ব---) 'তোমালোক ৰব্বানী (অৰ্থাৎ আল্লাহৰ উপাসক আৰু জনসাধাৰণৰ শিক্ষক) হোৱা, কিয়নো তোমালোকে অনুশীলন কৰি চলিছিলা (অৰ্থাৎ গ্ৰন্থ অধ্যয়ণ আৰু অধ্যাপনা উভয়েই কৰি গৈছিলা)।'

৭৯ আৰু তেওঁ তোমালোকক আদেশ নকৰিব যে তোমালোকে ফিৰিশ্তাসকলক আৰু নবীসকলক ভুপ্ৰৰূপে গ্ৰহণ কৰিবা। তেওঁ কি তোমালোকক আদেশ কৰিব অবিশ্বাসৰ পিনে, তোমালোক (আল্লাহৰ প্ৰতি আত্মসমৰ্পিত) মুছলিম হোৱাৰ পাচতো?

**পৰিচ্ছেদ - ৯**

৮০ আৰু স্মৰণ কৰা! আল্লাহে নবীসকলৰ মাধ্যমে (মানৱগোষ্ঠীৰ ওচৰত) অংগীকাৰ কৰিছিলে--- 'নিসন্দেহে মই তোমালোকক ধৰ্মগ্ৰন্থ আৰু জ্ঞানভাণ্ডাৰৰ পৰা (প্ৰচুৰ অনুগ্ৰহ) প্ৰদান কৰিছো, তাৰ পিচত তোমালোকৰ ওচৰলৈ এজন ৰছুল আহিব তোমালোকৰ ওচৰত যি (ভৱিষ্যতবাণী) আছে তাৰ সত্য-সমৰ্থন কৰি (ডিউ ১৮:১৫-১৯; ইছা ৪২:২১ যোহন ১৪:১৬; ১৫:২৬; ১৬:৭-১৩; ম্যাথু ৫:১৭; এক্ট ৩:২১,২২); তোমালোকে (তেতিয়া) অৱশ্যে তেওঁৰ প্ৰতি ঈমান আনিবা আৰু নিশ্চয় তেওঁক সাহায্য কৰিবা। তেওঁ (আৰু) কৈছিলে--- 'তোমালোকে কি স্বীকাৰ কৰিলা আৰু এই বিষয়ত মোৰ চৰ্ত গ্ৰহণ কৰিলা?' সিহঁতে কৈছিল--'আমি স্বীকাৰ কৰিলো।' তেওঁ ক'লে-- 'তেন্তে তোমালোকে সাক্ষ্য দিবা আৰু ময়ো (এই অংগীকাৰত) তোমালোকৰ লগত সাক্ষ্যদাতাসকলৰ অন্যতম।'

৮১ এতেকে যিসকলে ইয়াৰ পাচত (এই পকাপকিভাৱে স্বীকৃত অংগীকাৰৰ পৰা) উভতি যায় তেনেহ'লে সিহঁতে নিজেই হৈছে পাপাচাৰী।

৮২ সিহঁতে তেন্তে (স্বতঃস্ফুৰ্ত আৰু সাৰ্বজনীন) আল্লাহৰ ধৰ্মৰ বাহিৰে অইন কিবা বিচাৰিছে নে? অথচ তেওঁৰ প্ৰতি আত্মসমৰ্পণ কৰিছে যি কোনোবা আছে মহাকাশমণ্ডলত আৰু পৃথিৱীত (গতিকে ইহুদী, খ্ৰীষ্টান, হিন্দু আৰু অন্যান্য ধৰ্মমতাৱলম্বী সকলেও ক্ৰমে ইছলামী নিয়ম-কানুন, যথা বিধবা-বিবাহ, বিবাহ বিচ্ছেদ, বৰ্ণ আৰু জাতিভেদ প্ৰত্যাহাৰ, নাৰীকো সম্পত্তিৰ উত্তৰাধিকাৰ স্বত্ব প্ৰদান, মানৱীয় অধিকাৰ প্ৰতিষ্ঠা ইত্যাদি গ্ৰহণ কৰি লৈছে)---নিজ ইচ্ছাই (অনুপ্ৰাণিত হৈ) অথবা অনিচ্ছায় (সমাজ আৰু জাতিৰ উন্নতিৰ অন্য কোনো পথ নাপাই বাধ্য হৈ, ১৩:১৫; ২২:১৮) আৰু তেওঁৰ ওচৰতেই (অৰ্থাৎ এক আল্লাহ আৰু তেওঁৰেই বিধানৰ প্ৰতি) সিহঁতক (একেশ্বৰবাদ, ব্ৰাহ্ম-সমাজবাদৰ ইত্যাদি সংস্কাৰ সাধনৰ মাধ্যমেদি) ফিৰাই অনা হ'ব।

৮৩ (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা---'আমি বিশ্বাস কৰো আল্লাহত আৰু যি আমাৰ ওচৰত অৱতীৰ্ণ হৈছে (অৰ্থাৎ এই কুৰআন শ্বৰীফত) আৰু যি নাযিল হৈছিল ইব্ৰাহীম (আঃ) আৰু ইছমাইল (আঃ) আৰু ইছহাক (আঃ) আৰু ইয়াকুব (আঃ) আৰু গোত্ৰীয়সকলৰ ওচৰত আৰু যি দিয়া হৈছিল মুছা (আঃ)-ক আৰু ঈছা (আঃ)ক আৰু (পৃথিৱীৰ আন সকলো) নবীসকলক তেওঁলোকৰ প্ৰভুৰ পৰা। (আমাৰ ঈমান ইমানেই সৰ্বব্যাপী যে) আমি তেওঁলোকৰ কোনো এজনৰ মাজতো পাৰ্থক্য নকৰো (২:২৮৫ বৰং সকলো ধৰ্মৰ প্ৰৱৰ্তকসকলক সমানভাৱে স্বীকৃতি দি আমি সৰ্ব-ধৰ্ম সমন্বয়ৰ পথ সুগম কৰি থাকো) আৰু তেওঁৰেই ওচৰত আমি আত্মসমৰ্পণকাৰী (মুছলিম ২:১৩৬)।'

৮৪ আৰু যিসকলে ইছলাম (ধৰ্মৰ এনে উদাৰ সুষ্ঠাংগ সুন্দৰ সাৰ্বভৌমিক নীতি) পৰিত্যাগ কৰি অন্য কোনো ধৰ্ম অনুসৰণ কৰে তেনেহ'লে তাৰ পৰা কেতিয়াও সেইটো কবুল কৰা নহ'ব। আৰু আখেৰাতত সি হ'ব ক্ষতিগ্ৰস্তস্কলৰ অন্তৰ্ভুক্ত।

৮৫ আল্লাহে কেনেকে হেদায়ত কৰিব সেই লোকসকলক যিসকলে (মুহাম্মদ-ছাঃ-ৰ প্ৰতি) অবিশ্বাস পোষণ কৰে (পূৰ্ববতী নবীসকলৰ প্ৰতি) সিহঁতৰ বিশ্বাস স্থাপনৰ (পাচতো, অথচ সেই নবীসকলে শেষ নবীৰ আগমন সম্পৰ্কে ভৱিষ্যৎবাণী কৰি গৈছিল, ৩:৮০) আৰু এই ৰছুল সত্য বুলি সাক্ষী দিয়াৰ (পাচতো) আৰু (মুহাম্মদেই যে সেই প্ৰতিশ্ৰুত ৰছুল এই সম্পৰ্কে) স্পষ্ট প্ৰমাণাৱলী সিহঁতৰ ওচৰলৈ

অহাৰ পাচতো? আৰু (যিসকলে সদায় আল্লাহৰ নির্দেশ অমান্য কৰি চলে তেনে) অন্যায়কাৰী দলক আল্লাহে হেদায়ত নকৰে।

৮৬ এইবিলাকেই---ইহঁতৰ প্ৰাপ্য এই যে সিহঁতৰ ওপৰত লানৎ হওক আল্লাহৰ আৰু ফিৰিশ্বতাসকলৰ আৰু মানুহৰ সন্মিলিতভাৱে (২:১৫৯-১৬১)---

৮৭ ইয়াতেই (অর্থাৎ সকলোফালৰ পৰা লাঞ্ছিত বঞ্চিত অৱস্থাত) সিহঁত অৱস্থান কৰিব। সিহঁতৰ ওপৰৰ পৰা (প্ৰাপ্য) যাতনা লাঘৱ কৰা নহ’ব আৰু সিহঁতক (অলপো)বিৰামো দিয়া নহ’ব (২:১৬২)---

৮৮ সেইসকলৰ বাহিৰে যিসকলে ইয়াৰ পাচত তওবা কৰে (অর্থাৎ অনুতপ্ত হৈ সুপথে ফিৰে) আৰু (নিজৰ আচৰণ) সংশোধন কৰে, এতেকে আল্লাহ নিশ্চয়ে (সিহঁতৰ কাৰণে দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

৮৯ নিসন্দেহে যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ বিশ্বাস স্থাপনৰ পিচতো (৩:৮৫) তাৰ পাচত অবিশ্বাস বঢ়াই নি থাকে, সিহঁতৰ (বিশ্বাসী হোৱাৰ সময়ত কৰা) তওবা কেতিয়াও কবুল কৰা নহ’ব (কাৰণ যি তওবাৰ দ্বাৰা সিহঁতৰ জীৱনৰ গতি নিফিৰে সেই তওবাৰ কোনো মূল্যই নাই, ৪:১৭,১৮) আৰু ইহঁত নিজেই হৈছে পথভ্ৰষ্ট।

৯০ বাস্তৱিকতে যিবিলাকে অবিশ্বাস পোষণ কৰে আৰু মৰি যায় সিহঁত অবিশ্বাসী থকা অৱস্থাতে, তেনেহ’লে সিহঁতৰ কোনো এজনৰ পৰাও পৃথিৱী ভৰা সোণও (পৰাচিত স্বৰূপে) গ্ৰহণ কৰা নহ’ব, যদি সি তাকে দি মুক্তি পাবলৈ বিচাৰে (১০:৫৪)। ইহঁতেই--ইহঁতৰ নিমিত্তে (অপেক্ষা কৰিছে) ব্যথাদায়ক শাস্তি আৰু ইহঁতৰ (পৰিত্ৰাণৰ) নিমিত্তে নাথাকিব কোনো সাহায্যকাৰী।

## ৪ র্থ পাৰা

### পৰিচ্ছেদ - ১০

৯১ তোমালোকে কেতিয়াও ধর্মনিষ্ঠ হ’ব নোৱাৰিবা যেতিয়ালৈকে নেকি তোমালোকে (ইছলামৰ সমৃদ্ধিৰ কাৰণে অকাতৰে) ব্যয় কৰা তোমালোকে ভাল পোৱা বস্তুৰ পৰা। আৰু তোমালোকে (সৰুৱেই হওক বা ডাঙৰেই হওক) যি বস্তুকেই (আল্লাহৰ পথত) খৰচ কৰিবা, নিশ্চয় আল্লাহ সেই সম্বন্ধে সর্বজ্ঞাতা (সেইকাৰণে তাৰ প্ৰতিদানত তেওঁ তোমালোকক বিপুলভাৱে পুৰস্কৃত কৰিব, ২:২৪৫)।

৯২ সকলো খাদ্য (যি ইব্ৰাহীম-আঃ-ৰ ধর্মৰ অনুৱৰ্তী মুছলিমসকলৰ বাবে বৈধ আছিল, ৩:৬৬,৬৭ সেইটো বৈধ আছিল ইছ্ৰাইলৰ বংশধৰ সকলৰ বাবেও----সেইবিলাকৰ বাহিৰে যিবিলাক তওৰাত অৱতীর্ণ হোৱাৰ আগতে ইছ্ৰাইলীসকলে নিজৰ কাৰণে নিষিদ্ধ কৰিছিল (যেনেকৈ সিহঁতৰ চল্লিশ বছৰৰ যাযাবৰী জীৱনত উটৰ বিশেষ প্ৰয়োজন থকা কাৰণে উটৰ মাংস খোৱাটো সিহঁতে বন্ধ কৰি দিছিল, লেভ ১১:৪)। মুছলিমসকলে গোমাংস খোৱাটোত হিন্দুসকলৰ যেনেকৈ আপত্তি তেনেকৈ তেওঁলোকৰ কিছু খাদ্যত ইছ্ৰাইলীসকলে আপত্তি তুলিছিল, সেইকাৰণে, হে মুহাম্মদ-ছাঃ! তুমি সিহঁতক) কোৱা---‘তেনেহ’লে তওৰাত লৈ আহা আৰু সেইখন পঢ়া (ক’তনো সেইবিলাক খাদ্যত আপত্তি দেখুওৱা হৈছে), যদি (তোমালোকৰ দাবী সম্পর্কে) তোমালোক সতবাদী হোৱা (আৰু সেইদৰে হিন্দু শাস্ত্ৰত গো-মাংস খোৱাৰ প্ৰচলন সম্বন্ধে স্পষ্ট উল্লেখ থকা সত্বেও হিন্দুসকলে অন্যায়ভাৱে মুছলিমক ইয়াত বাধা দি থাকিব)।’

৯৩ এতেকে যিজনে ইয়াৰ পাচত আল্লাহৰ বিৰুদ্ধে মিথ্যাৰোপ কৰে (আৰু বৈধ খাদ্যত নিষেধাজ্ঞা জাৰি কৰে) তেনেহ’লে সিবিলাক নিজেই হৈছে অন্যায়কাৰী।

৯৪ কোৱা--‘আল্লাহে সত্যকাথ কয়, কাজেই ঋজুস্বভাৱ ইব্ৰাহীম (আঃ)-ৰ ধর্ম অনুসৰণ কৰা। আৰু তেওঁ বহুখোদাবাদীসকলৰ অন্তর্ভুক্ত নাছিলে (১৬:১২৩)।’

৯৫ নিসন্দেহে মানৱ জাতিৰ নিমিত্তে (আল্লাহৰ উপাসনাৰ) প্ৰথম যি উপাসনালয় প্ৰতিষ্ঠা হৈছিল সেইটো হৈছে বাক্কাত (বা মক্কাতে অৱস্থিত কা’বা গৃহ),--অশেষ কল্যাণময় (কাৰণ সেইটো হৈছে পৃথিৱীৰ সর্বপ্ৰাচীন আৰু সর্বশেষ পর্যন্ত স্থায়ী উপাসনালয়); আৰু সকলো মানৱ গোষ্ঠীৰ নিমিত্তে পথপ্ৰদর্শক (কিয়নো ইয়াত হজৰ সময়ত আল্লাহৰ মহিমা, মানৱজাতিৰ একতা আৰু ভাতৃত্বৰ উদাহৰণ দেখা পোৱা যায়; এতেকে মুছলিমসকলে মক্কাৰ কা’বা গৃহকেই কিবলাহ বনাব, জেৰুজালেমৰ উপাসনালয়ক নহয়, ২:১২৫)।

৯৬ ইয়াত আছে (তিনিটা) সুস্পষ্ট নিদর্শনাৱলী (যি মক্কাৰ ভৱিষ্যৎ সম্বন্ধে ইংগিত কৰিছে)ঃ মকামে ইব্ৰাহীম (বা ইব্ৰাহীম-আঃ-ৰ অৱস্থানস্থল, যি হৈছে মুছলিমসকলৰ ধর্মীয় কেন্দ্ৰস্থল, ২:১২৫ আৰু সেই ঠাইত মূর্তিপূজাৰ পংকিলতা কেতিয়াও প্ৰৱেশ কৰিব নোৱাৰিব, ৯:১৭,২৮); আৰু যি কোনোবা ইয়াত প্ৰৱেশ কৰিব সেইজন হৈছে নিৰাপদ (কাৰণ ইয়াৰ ভিতৰত কোনো মৰামৰি কটাকটি চলিব নোৱৰিব, ২:১৯১ কোনা শত্ৰুৱেও ইয়াত ধ্বংস কৰিব নোৱাৰিব আৰু দজ্জাল তথা প্লেগ কেতিয়াও ইয়াত সোমাব নোৱাৰিব, বুখাৰী ২৯:৯)। আৰু আল্লাহৰ উদ্দেশ্যে এই গৃহত (অন্তত এবাৰ) হজ কৰা মানৱগোষ্ঠীৰ কাৰণে আৱশ্যিক---যাৰেই সেই ঠাইৰ পাথেয় অর্জনৰ

ক্ষমতা আছে (আৰু বছৰৰ পিচত বছৰ ধৰি হজ পালনৰ এক প্ৰথাক পৃথিৱীৰ কোনো শক্তিয়ে কেতিয়াও বন্ধ কৰিব নোৱাৰিব)। আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে----তেনেহ'লে (যি জানি থওক যে) নিশ্চয় আল্লাহ সমস্ত সৃষ্ট জগতৰ পৰা স্বয়ং সমৃদ্ধ (কাজেই যদিও এতিয়া কুখ্যাত কুৰাইশ্ববিলাকে মক্কাৰ পৰা তোমালোকক উলিয়াই দিছে আৰু মদীনাতো তোমালোকক আক্ৰমণ কৰিছে, তথাপি মক্কা সম্পৰ্কে এই ভৱিষৎবাণী তোমালোকৰ দ্বাৰাই অলপতে ফলিব লাগিছে)।

৯৭ তুমি কোৱা---'হে গ্ৰন্থপ্ৰাপ্ত লোকসকল (---বিশেষকৈ ইহুদী আৰু খ্ৰীষ্টানসকল ১০:৪৭; ১৬:৩৬)। কিয় তোমালোকে আল্লাহৰ নিৰ্দেশাৱলীত অবিশ্বাস পোষণ কৰা, অথচ আল্লাহ সাক্ষী হৈছে তোমালোকে (ভাল-বেয়া) যি কৰা তাৰ?'

৯৮ কোৱা---'হে গ্ৰন্থপ্ৰাপ্তসকল! কিয় তোমালোকে যিসকলে ঈমান আনিছে সেইসকলৰ আল্লাহৰ পথৰ পৰা প্ৰতিৰোধ কৰা (আৰু সুপথে চলাত বাধা দিয়া) তোমালোকে তাৰ (অৰ্থাৎ সেই পথৰ) বক্ৰতা বিচৰা (আৰু জুৱাচুৰি কৰিবলৈ চোৱা), অথচ তোমালোক (আল্লাহৰ নিৰ্দেশাৱলীৰ, ৪:৮০) সাক্ষী হৈছা?' আৰু আল্লাহ গাফিল (বা নজনা) নহয় তোমালোকে যি কৰা সেই সম্বন্ধে (কাজেই লুকাই-চুৰকৈ মক্কাৰ কুইৰাইশ্বসকলৰ সৈতে হাত মিলাই মুছলিমসকলৰ বিৰুদ্ধাচৰণ কৰাৰ কাৰচাজি আল্লাহৰ অগোচৰ হৈ থকা নাই)।

৯৯ হেৰা যিসকলে ঈমান আনিছা! যিসকলক কিতাপ দিয়া হৈছে সিহঁতৰ কোনা এদলক যদি তোমালোকে অনুসৰণ কৰা (অৰ্থাৎ সিবিলাকে যি কয় আৰু কৰে তোমালোকেও যদি তাতে তালত তাল মিলোৱা), তেনেহ'লে সিহঁতে তোমালোকক ফিৰাই নিব অবিশ্বাসী বিলাকৰ দললৈ।

১০০ কিন্তু তেনেকৈ তোমালোকে অবিশ্বাস পোষণ কৰিবা পাৰা যেতিয়া তোমালোকৰেই ওচৰত আল্লাহৰ বাণীসমূহ পাঠ কৰা হৈছে আৰু তোমালোকৰ ওচৰত আছে তেওঁৰেই ৰছুল (---মুহাম্মদ-ছাঃ, যিজনে অবিৰাম তোমালোকক পথ দেখুৱাই গৈছে)? আৰু যিজনে আল্লাহকে দৃঢ়ভাৱে ধৰি থাকে, নিসন্দেহে সেইজন তেনেহ'লে চালিত হৈছে সহজ-সঠিক পথত।

১১) মুছলিমসকল একতাৱদ্ধ হৈ থাকিব

১০১ হেৰা যিসকলে ঈমান আনিছা। আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যেনেদৰে তেওঁক ভয় ভক্তি কৰা উচিত আৰু তোমালোকে প্ৰাণত্যাগ নকৰিবা আত্মসমৰ্পিত (মুছলিম) নোহোৱাকৈ (অৰ্থাৎ তোমালোকে আল্লাহৰ প্ৰতি অনুগত এনে ধৰ্মনিষ্ঠ জীৱন-যাপন কৰা যাতে যিকোনো মুহূৰ্ততে তোমাকেৰ মৃত্যু নহক কিয়, তোমালোকে যেন খাটি মুছলিমৰূপে আল্লাহৰ দৰবাৰত হাজিৰ হ'ব পাৰা, (২:১৩২)।

১০২ আৰু তোমালোক সকলোৱে একেলগে আল্লাহৰ ৰচি (অৰ্থাৎ কুৰআনৰ বাণীৰ মাধ্যমত গঢ়া ইছলামৰ ভাতৃবন্ধন, ১৯:১২) দৃঢ়ভাৱে সাৱটি ধৰা আৰু বিচ্ছিন্ন নহ'বা (কিয়নো একতাই উত্থান আৰু বিভেদেই পতন আৰু একতাই বল) আৰু স্মৰণ কৰা তোমালোকৰ ওপৰত আল্লাহৰ অনুগ্ৰহ, যেনে-- (মুহাম্মদ ছাঃ-ৰ আবিৰ্ভাৱৰ আগতে) তোমালোক আছিলা পৰস্পৰে শত্ৰু (আৰু বংশানুক্ৰমে এজনে আনজনৰ সৈতে কাজিয়া-পেচাল, যুদ্ধ-বাগৰ কৰি সমগ্ৰ দেশখনকে অগ্নিগৰ্ভ কৰি তুলিছিলা), তাৰ পাচল (ইছলামৰ জৰিয়তে) তেওঁ তোমালোকৰ হৃদয়ত সম্প্ৰীতি ঘটালে, এতেকে এজনে আনজনৰ সৈতে (কাজিয়া-পেচাল বাদ দি) তেওঁৰ অনুগ্ৰহত তোমালোক হ'লা ভাই-ককাই (৪৯:১০)। আৰু তোমালোক আছিলা এক অগ্নিকুণ্ডৰ কাষত (আৰু সেই ৰণাঙ্গনৰ জুইত তোমালোক জপিয়াই পৰিছিলা ৫:৬৪), তাৰ পিচত তেওঁ (ইছলামৰ শান্তিৰ বাৰ্তা দি অনুপ্ৰাণিত কৰি) তোমালোকক তাৰ পৰা বচালে। এইদৰে আল্লাহে তোমালোকৰ আগত তেওঁৰ নিৰ্দেশৱলী সুস্পষ্ট কৰা যাতে তোমালোকে হেদায়ত লাভ কৰিব পাৰা (আৰু ইছলামৰ বিশ্ব ভাতৃত্বত যোগদান কৰিব পাৰা, ২৩:৫২)।

১০৩ আৰু (যদি প্ৰত্যেকজন মানুহে আৰু এজনকো সংশোধন কৰে তেনেহ'লে সমগ্ৰ পৃথিৱীয়েই সংশোধিত হ'ব পাৰে, সেইকাৰণে) তোমালোকৰ মাজত এনে এটি (মিচনাৰী) দল থকাআৱশ্যক যিসকলে (ধৰ্মপ্ৰচাৰ কৰাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা মানুহক) আহ্বান কৰিব কল্যাণৰ (অৰ্থাৎ কুৰআনৰ, ২:১০৫) প্ৰতি, আৰু নিৰ্দেশ দিব ন্যায় পথৰ, আৰু নিষেধ কৰিব অন্যায়ৰ পৰা। আৰু এইসকল নিজেই হৈছে (ইহকাল আৰু পৰকালত) সফলকাম (৯:১২২)।

১০৪ আৰু সিহঁতৰ নিচিনা নহবা যিবিলাক বিচ্ছিন্ন হৈছিল আৰু মতবিৰোধ কৰিছিল সিহঁতৰ ওচৰত (ঐক্যবন্ধনত আৱদ্ধ থকাৰ) সুস্পষ্ট নিৰ্দেশাৱলী অহাৰ পাচতো (৩:১০২)। আৰু এইবিলাক---ইহঁতৰ কাৰণে (নিৰ্ধাৰিত) আছে কঠোৰ যন্ত্ৰণা--

১০৫ যিদিনা কিছুমান চেহেৰা হ'ব ঝকমকীয়া (বগা) আৰু কিছুমান চেহেৰা হ'ব কিচ্‌কিচীয়া (ক'লা, যেহেতু সিহঁতৰ বুকুৰ হাঁহি-কান্দোন মুখৰ আয়নাত ক'লা হ'ব সিহঁতৰ ক্ষেত্ৰত (কোৱা হ'ব)--- 'তোমালোকে অবিশ্বাস পোষণ কৰিছিলা নে তোমালোকৰ ঈমান অনাৰ পাচত (আৰু বাতুলৰ দৰে পৰশ-মণি অৱহেলা কৰি দলিয়াই পেলাই দিছিলা নে)? এতেকে (নৰক) যন্ত্ৰণাৰ সোৱাদ গ্ৰহণ কৰা যেহেতু তোমালোকে অবিশ্বাস পোষণ কৰিছিলা (আৰু তোমালোকৰ বিশ্ৰী চেহেৰাৰ বাবে এতিয়া আৰ্চীক দোষাৰোপ নকৰিবা)।'

১০৬ আৰু যিসকলৰ চেহেৰা ঝকমকীয়া হ'ব তেনে ক্ষেত্ৰত তেওঁলোক থাকিব আল্লাহৰ কৰুণাসিন্ধুত; ইয়াতে তেওঁলোক থাকিব চিৰকাল (১১:১০৮)।

১০৭ (হে মুহাম্মদ-ছাঃ!) এইবিলাক হৈছে আল্লাহৰ নির্দেশাৱলী যি আমি তোমাৰ ওচৰত পাঠ কৰিছো সত্যৰ সৈতে। আৰু আল্লাহে কোনো প্ৰাণীৰ প্ৰতি অবিচাৰ নিবিচাৰে।

১০৮ আৰু যি কিবা আছে মহাকাশমণ্ডলত আৰু যি কিবা আছে পৃথিৱীত সেইসকলো আল্লাহৰে। আৰু আল্লাহৰ কাষলৈকে সকলো বিষয় (মীমাংসাৰ কাৰণে) ফিৰাই নিয়া হ'ব (২:২১০)।

**পৰিচ্ছেদ - ১২**

১০৯ তোমালোকে (আৰববাসী মুছলিমসকলে ইছলাম ধর্ম গ্রহণৰ আগতে হীন আৰু ঘৃণ্য জীৱন-যাপন কৰিছিলা, আৰু মুহাম্মদ-ছাঃ-ৰ প্রচেষ্টাত আজি তোমালোকে সংশোধিত হৈ আৰু নৱ জীৱন পাই) মানৱ সমাজৰ (পথ প্রদর্শনৰ) নিমিত্তে এক শ্রেষ্ঠ সমাজৰূপে উত্থিত হৈছা--তোমালোকে (মানুহক) ন্যায়ৰ পথৰ নির্দেশ দিয়া আৰু অন্যায়ৰ পৰা নিষেধ কৰা (৩:১০৩) আৰু আল্লাহত বিশ্বাস ৰাখা (--তোমাকেৰ মহত্বৰ মূল কাৰণ এইবিলাক গুণাৱলী অর্জন, ইয়াক হেৰুৱালে তোমালোকৰ মহত্ব লগে লগে বিলীন হৈ যাব)। আৰু গ্রন্থপ্রাপ্তসকলেও যদি (তোমালোকৰ দৰে) ঈমান আনিলেহেঁতেন তেন্তে সিহঁতৰ কাৰণে (কিমান যে) ভাল হ'লহেঁতেন। সিহঁতৰ মাজৰ (একেশ্বৰবাদী ইউনিটাৰিয়ানসকলৰ দৰে) কোনো কোনো বিশ্বাসী, কিন্তু সিহঁতৰ সৰহভাগেই দুষ্টলোক।

১১০ সিহঁতে (অর্থাৎ ইহুদীসকলে) কেতিয়াও তোমালোকৰ ক্ষতি কৰিব নোৱাৰিব কিঞ্চিৎ মাথোন জ্বালাতনৰ বাদে (যদিও ইছলামৰ মুলোচ্ছেদ কৰাৰ কাৰণে সকলো শিয়ালে একেলগে ৰাও দিছে); আৰু যদি সিহঁতে তোমালোকৰ সৈতে (খোলাখুলি) যুদ্ধ পাতে তেন্তে (তোমালোকেও যুদ্ধত নামিলে) সিহঁতে তোমালোকৰ ফালে পিঠি ঘূৰাব, তাৰ পাচত সিহঁতক আৰু সাহায্য কৰা নহ'ব।

১১১ (সিহঁতৰ পৰৱর্তী ইতিহাস হৈছে--) সিহঁতৰ ওপৰত লাঞ্ছনাই হান মাৰিব সিহঁত য'তেই নাথাকক লাগে (আৰু সিহঁত ৰজা-বাদচাহ কেতিয়াও হ'ব নোৱাৰিব) যদিনা আল্লাহৰ পৰা অহা ৰচিৰ দ্বাৰা (গভীৰ গহ্বৰৰ পৰা সিহঁতে উদ্ধাৰ লাভ কৰে, ৩:১০২, অর্থাৎ আল্লাহতে বিশ্বাসী হয়) বা মানুহৰ পৰা পোৱা ৰচিত (সাৰটি ধৰে, যেনে-- আমেৰিকানসকলৰ নেগুৰত ধৰিবলৈ সক্ষম হয়); আৰু সিহঁতে আল্লাহৰ ৰোষ অর্জন কৰিছে (২:৬১) আৰু সিহঁতৰ ওপৰত দুর্দশাই হান মাৰিব। সেইটো হৈছে---কিয়নো সিহঁতে আল্লাহৰ নির্দেশাৱলী অমান্য কৰি চলিছিল আৰু নবীসকলক অন্যায়ভাৱে হত্যা কৰিব গৈছিল। তেনেই হয় কিয়নো সিহঁত অবাধ্য হৈছিল আৰু সিহঁতে সীমা লঙ্ঘন কৰিছিল।

১১২ সিহঁত (ইহুদীবিলাক) সকলোৱেই একে ধৰণৰ নহয়। গ্রন্থপ্রাপ্তসকলৰ মাজৰ (বিশেষতঃ ইহুদী আৰু খ্রীষ্টানসকলৰ মাজৰ, ১৩:৭) এদল আছে নিষ্ঠাবান, তেওঁলোকে আল্লাহৰ নির্দেশাৱলী ৰাতিৰ ভাগত (একাগ্রতাৰে) পাঠ কৰে আৰু তেওঁলোকে (আল্লাহৰ প্রতি নিজক বিলাই দি) সিজদা কৰে (কাজেই সকলো জাতিৰ মাজতে ধার্মিক আৰু নিষ্ঠাবান লোক কিছু কিছু আছেই)।

১১৩ তেওঁলোকে (মুছলিমসকলৰ দৰে, ৩:১০৯) আল্লাহৰ প্রতি আৰু আখেৰাতৰ দিনৰ (কর্মফল প্রাপ্তিৰ) প্রতি বিশ্বাস কৰে আৰু তেওঁলোকে (লোকক) ন্যায় পথৰ নির্দেশ দিয়ে আৰু অন্যায়ৰ পৰা নিষেধ কৰে আৰু তেওঁলোকে শুভকামত পৰস্পৰৰ মাজত প্রতিযোগিতা কৰে (যাতে কোনে কিমান বেচি ভাল কাম কৰিব পাৰে); আৰু এওঁলোকেই সাধুপুৰুষসকলৰ অন্তর্ভুক্ত।

১১৪ আৰু তেওঁলোকে ভাল কামৰ যি কিবা কৰে তাৰ (প্রাপ্য পুৰস্কাৰ) সম্বন্ধে তেওঁলোকক কেতিয়াও অস্বীকাৰ কৰা নহ'ব। আৰু আল্লাহ ধর্মপৰায়ণসকলৰ সম্বন্ধে ওৱাকিফহাল (গতিকে বিভিন্ন ধর্মমতাৱলম্বী হোৱা সত্বেও ন্যায়নিষ্ঠ আৰু সুকর্মীসকলৰ প্রতি আল্লাহ সুপ্রসন্ন থাকিব, ৩:১১২, যদিও পূর্ণাঙ্গ ইছলামত বিশ্বাসীসকল শ্রেষ্ঠত্বৰ শিখৰত উন্নীত হৈছে, ৩:১০৯)।

১১৫ নিসন্দেহে যিসকলে অবিশ্বাস পোষণ কৰে, সিহঁতৰ ধন-সম্পত্তি (যিমানেই পর্যাপ্ত নাথাকক লাগে) আৰু সিহঁতৰ সন্তান-সন্ততি (যিমানেই অধিক নহওক কিয়) আল্লাহৰ বিৰুদ্ধে (অর্থাৎ ইছলাম আৰু মুছলিমৰ বিৰুদ্ধে) কোনোভাৱেই সিহঁতক কেতিয়াও লাভবান নকৰিব। আৰু সিহঁতেই হৈছে (দুযখৰ) জুইৰ অধিবাসী, সিহঁত তাতেই থাকিব দীর্ঘকাল (৩:৯)।

১১৬ দুনিয়াৰ এই জীৱনত সিহঁতে (--ইছলামৰ শত্রুবিলাকে, ইছলাম নির্মূল কৰাৰ উদ্দেশ্যে) যি খৰচ কৰে তাৰ দৃষ্টান্ত হৈছে বতাহৰ দৃষ্টান্তৰ দৰে য'ত ৰৈছে কঁপনি ধৰা জাৰ, এই (চেঁচা বতাহে) ধাক্কা দিলে সেই লোকবিলাকৰ ফচলত যিবিলাকে নিজৰ প্রতিয়েই অন্যায় কৰিছে, কাজেই ই ধ্বংস কৰি দিলে তাক (--সেই ফচলক, ৬৮:১৭-৩৩)। আৰু (যেহেতু যেনে কাম তেনে ফল) আল্লাহে সিহঁতৰ প্রতি অন্যায় কৰা নাই, বৰঞ্চ সিহঁতে সিহঁতৰ নিজৰে প্রতি (বিপথগামী হৈ) অন্যায় কৰিছে।

১১৭ হেৰা যিসকলে ঈমান আনিছা। (তোমালোকৰ প্রতিৰক্ষাৰ কাৰণত) তোমালোকৰ নিজৰ লোকৰ বাহিৰে আন কাকো অন্তৰংগ ৰূপে গ্রহণ নকৰিবা (৬০:৮,৯); সিহঁতে (যিকোনো মুহূর্ততে তোমালোকৰ) অনিষ্ট সাধন কৰোতে তোমালোকৰ পৰা পাশ্চাৎপদ নহয়। তোমালোকক যিয়ে ক্লেশ দিয়ে সিহঁতে তাক ভাল পায়, সিহঁতৰ মুখৰ পৰা ঘোৰ বিদ্বেষ ইতিমধ্যে নির্গত হৈছে। আৰু সিহঁতৰ অন্তৰত যি (বিদ্বেষ) লুকুৱা আছে সেইটো আৰু গুৰুতৰ। তোমালোকৰ কাৰণে (আমাৰ) নির্দেশাৱলী সুস্পষ্ট কৰিলো, যদি তোমালোকে (সিহঁতৰ

বিষয়ত সাৱধান হোৱাৰ এই নিগূঢ় বাণীৰ মৰ্ম) বুজিব পাৰা।

১১৮ তোমালোকেই হয়! তোমালোকে এই সিহঁতকে ভাল পোৱা (আৰু বন্ধুভাৱাপন্ন হ'বলৈ চোৱা), অথচ সিহঁতে তোমালোকক ভাল নাপায় (বৰঞ্চ তোমালোকক সমুলঞ্চে ডুবাবলৈ বিচাৰে); তোমালোকে কিন্তু ধৰ্মগ্ৰন্থত বিশ্বাস কৰা, তাৰ আটাইবিলাকতে (যেহেতু কুৰআনেই সম্পূৰ্ণ আৰু পূৰ্ণাঙ্গ ধৰ্মগ্ৰন্থ, ৫:৩; আৰু পূৰ্বাপৰ গ্ৰন্থৰ বহুলাংশেই বিলুপ্ত হৈ গৈছে, ৩:১২)। আৰু যেতিয়া সিহঁতে তোমালোকৰ সৈতে দেখা কৰে সিহতে কয়----'আমি ঈমান আনিছো।' (২:১৪); আৰু যেতিয়া সিহঁত (নিজৰ মাজতে) নিৰিবিলি হয়, তোমালোকৰ প্ৰতি আক্ৰোশত সিহঁতে আঙুলি কামোৰে। (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা---'তোমালোক আক্ৰোশত (জ্বলি পুৰি) মৰি যোৱা। দৰচলতে (তোমালোকৰ) বুকুৰ মাজত কি (বিষ ভৰ্তি হৈ) আছে সেই সম্বন্ধে আল্লাহ সৰ্বজ্ঞাতা।'

১১৯ যদি শুভ কিবা তোমালোকৰ প্ৰতি ঘটে তেন্তে সেইটোৱে সিহঁতক দুখ দিয়ে আৰু যদি বেয়া কিবাই তোমালোকক ধৰে তেন্তে তাত সিহঁত হয় পৰম আনন্দিত। আৰু যদি তোমালোকে ধৈৰ্য ধাৰণ কৰা আৰু ধৰ্মপৰায়ণতা অৱলম্বন কৰা তেন্তে সিহঁতৰ ষড়যন্ত্ৰই তোমালোকৰ অকণমানো ক্ষতি নকৰিব। সিহঁতে যি কৰিছে তাক আল্লাহে নিশ্চয় ঘেৰাও কৰি লৈছে।

**পৰিচ্ছেদ - ১৩**

১২০ আৰু স্মৰণ কৰা (হে মুহাম্মদ-ছাঃ)। তুমি পুৱাই তোমাৰ আত্মীয় পৰিজনৰ পৰা (বিদায় লৈ এক হাজাৰ যোদ্ধা লগত লৈ তৃতীয় হিজৰী বছৰত মদীনাৰ ওচৰৰ উহুদ পাহাৰৰ পিনে) যাত্ৰা কৰিলা যুদ্ধৰ বাবে বিশ্বাসীসকলৰ অৱস্থান নিৰ্ধাৰণ কৰিবলৈ (যাতে আবু চুফায়নৰ নেতৃত্বত মক্কাৰ পৰা আগত তিনি হাজাৰ কুৰাইশ্ব বাহিনীক মদীনাৰ পৰা মাত্ৰ ছয় কিলোমিটাৰ দূৰত শিৱিৰ পতা অৱস্থাত মুছলিমসকলে মুকাবিলা কৰিব পাৰে)। আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞাতা।

১২১ স্মৰণ কৰা। তোমালোকৰ মাজত দুটা দলে (যেনে-- বনুছালিমাহ আৰু বনু-হাৰিছাহ, বুখাৰী ৬৪:১৮) ভীৰুতা দেখুৱাৰ মনস্থ কৰিছিল (আৰু যুদ্ধক্ষেত্ৰৰ পৰা পলাবলৈ বিচাৰিছিল, কাৰণ কপটচাৰী বিলাকৰ চৰ্দাৰ আব্দুল্লাহ ইবনে উবয়ে ইতিমধ্যে তিনিশ সৈন্য লৈ মুছলিমবাহিনীৰ পৰা আঁতৰি পৰিছে) আৰু আল্লাহ আছিল সিহঁতৰ উভয়ৰে অভিভাৱক (অথচ সিহঁতে তেওঁৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছিল)। আৰু আল্লাহৰ ওপৰতেই তেনেহ'লে বিশ্বাসীসকলে নিৰ্ভৰ কৰা উচিত।

১২২ আৰু আল্লাহে ইতিপূৰ্বে তোমালোকক সাহায্য কৰিছিলে (আৰু বিজয় গৌৰৱ দান কৰিছিলে) বদৰত, যেতিয়া তোমালোক আছিলা দুৰ্দশাগ্ৰস্ত (৩:১২); এতেকে আল্লাহৰ প্ৰতি ভয় শ্ৰদ্ধা কৰা (আৰু শঠতা আৰু কাপুৰুষতা নেদেখুৱাবা) যাতে তোমালেকে (এইবাৰো পৰাক্ৰম দেখুৱাই তেওঁৰ প্ৰতি) ধন্যবাদ দিবা পাৰা।

১২৩ স্মৰণ কৰা। (যেতিয়া তোমালোকে তিনি হাজাৰ শত্ৰু সৈন্যৰ সৈতে মোকাবিলা কৰিছিলা তেতিয়া) তুমি বিশ্বাসীসকলক কৈছিলা--- 'এইটো কি তোমালোকৰ কাৰণে যথেষ্ট নহয় যে তোমালোকৰ প্ৰভুৱে তোমালোকক সাহায্য কৰক নামি অহা ফিৰিশ্বতাসকলৰ তিনি হাজাৰ (বাহিনী) দি (৩:১৫১; ৮:৯,১২)?

১২৪ 'যথাৰ্থ! যদি তোমালোকে ধৈৰ্য ধাৰণ কৰা আৰু ধৰ্মপৰায়ণতা অৱলম্বন কৰা আৰু সিহঁত (--শত্ৰুবিলাক) তোমালোকৰ ওপৰত জপিয়াই পৰে প্ৰৱলবেগে (যেনেকৈ সিহঁতে আহ্যাবৰ যুদ্ধত পাঁচ হাজাৰ সৈন্য লৈ সকলোবিলাক বিৰোধী দলৰ সৈতে জোঁট বান্ধি মদীনাত হামলা কৰিছিল, অথচ তোমালোকৰ সংখ্যা আছিল মাত্ৰ চৈধশজন আৰু তাকে দেখি সিহঁতে গোঁফত তাও দিছিল);---- তোমালোকৰ প্ৰভুৱে তোমালোকক সাহায্য কৰিছিলে প্ৰচণ্ড আঘাতকাৰী পাঁচ হাজাৰ ফিৰিশ্বতাক দি (আৰু দুৰ্জনবিলাকৰ তৰ্জন-গৰ্জন বিফলে গৈছিল)।'

১২৫ আৰু আল্লাহে এইটো নকৰে তোমালোকৰ কাৰণে সুসংবাদৰ ব্যতিৰেকে (অৰ্থাৎ অদৃশ্য জগতৰ পৰা সাহায্য পঠিয়াই বিজয় মাল্যৰে তোমালোকক ভুষিত কৰিছিলে তেওঁৰ পৰা কৰুণা তথা শুভাশীষৰূপে); আৰু যাতে তোমালোকৰ হৃদয়ে ইয়াৰ দ্বাৰা সান্ত্বনা পায় আৰু (মূলতঃ) সাহায্য (আৰু বিজয়) কেৱল মহাশক্তিশালী, পৰম জ্ঞানী আল্লাহৰ দৰবাৰত বাহিৰে আন ক'ৰো পৰা নাহে---

১২৬ যেন যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ এদলক (অৰ্থাৎ যিবিলাকে মানুহক মুছলিমৰ বিৰুদ্ধে উচটাই দি অৰাজকতা সৃষ্টি কৰে সিহঁতক) তেওঁ ধ্বংস কৰিব পাৰে, অথবা (শত্ৰুৰ বিষ দাঁত ভাঙি চুৰমাৰ কৰি) সিহঁতক পৰাভূত কৰিব পাৰে, যাতে সিহঁতে বিফল মনোৰথ হৈ ফিৰি যায় (বস্তুতঃ মক্কালৈ ফিৰাৰ পথত সিহঁতৰ বিশিষ্ট সেনানায়ক খালিদ ইবনে ওলিদে ইছলাম ধৰ্ম গ্ৰহণ কৰাত সিহঁতৰ কঁকাল ভাঙি পৰিল)।

১২৭ (হে মুহাম্মদ-ছাঃ!) এই বিষয়ত তোমাৰ অকণো কোনো সংস্ৰব নাই যে তেওঁ সিহঁতৰ প্ৰতি (সদয়ভাৱে) ফিৰিব (যদিও সিহঁত কঠোৰ শাস্তি পোৱাৰ যোগ্য, কিয়নো আল্লাহ ইমানেই দয়ালু যে তেওঁ পাপীৰ সকলো পাপ সম্পূৰ্ণ মাৰ্জনা কৰিও দিব পাৰে, ৩৯:৫৩), অথবা সিহঁতক শাস্তি দিব, যদিও সিহঁত প্ৰকৃততে অন্যায়কাৰী (কাজেই কাৰোৰ ওপৰত তুমি অভিশাপ কামনা নকৰিবা, বুখাৰী ৬৪:২২)।

১২৮ আৰু মহাকাশমণ্ডলত যি কিছু আছে আৰু যি কিবা আছে পৃথিৱীত সেই সকলো আল্লাহৰেই। (সৎ পথত চলাৰ কাৰণে) তেওঁ যাকে ইচ্ছা কৰিব (পদস্খলনৰ পৰা) পৰিত্ৰাণ কৰিব আৰু (কুপথগামী হোৱাৰ কাৰণে) যাকে ইচ্ছা কৰিব (সংশোধনৰ বাবে) শাস্তিও দিব। আৰু আল্লাহ (দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণকাৰী, অফুৰন্ত ফলদাতা।

**পৰিচ্ছেদ - ১৪**

১২৯ হেৰা যিসকলে ঈমান আনিছা! সুত নাখাবা (মূলধনক) দ্বিগুণ আৰু বহুগুণিত কৰি (কাৰণ মুদখুৰিত অভাৱগ্ৰস্তৰ অভাৱৰ সুযোগ লৈ তাৰ মূৰত কঁঠাল ভাঙি খোৱা হয়, ৩০:৩৯; ৮৯:২০; বস্তুত সুদখুৰি এৰি সদাগৰী কৰা বহু ভাল, ২:২৭৫); আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা (আৰু অভাৰী লোকক দান-খয়ৰাত দিয়া, ১০৭:১-৭) যাতে তোমালোক সফলকাম হ'ব পাৰা।

১৩০ আৰু সতৰ্কতা অৱলম্বন কৰা (ধনৰ প্ৰতি লালসাৰ, ১০৪:১-৭) সেই জুই সম্বন্ধে যাত তৈয়াৰী কৰা হৈছে অবিশ্বাসীবিলাকৰ কাৰণে (যিবিলাকে সুদখুৰিতে থাকিব বিচাৰে)।

১৩১ আৰু আল্লাহ আৰু ৰছুলৰ প্ৰতি অনুগত হোৱা (আৰু কোনো অৱস্থাতে উহুদৰ যুদ্ধত ৰছুলৰ নিৰ্দেশিত বিশেষ সুবিধাজনক স্থানবিলাক এৰি নিদিবা), যাতে তোমালোকক কৰুণা দেখুওৱা হয়।

১৩২ আৰু (আল্লাহ আৰু ৰছুলৰ প্ৰতি অনুগত্য দেখুওৱাই) তৎপৰ হোৱা তোমালোকৰ প্ৰভুৰ পৰা (পদস্ফলনৰ পৰা) পৰিত্ৰাণ লাভৰ কাৰণে; আৰু স্বৰ্গোদ্যানৰ কাৰণে যাৰ বিস্তাৰ হৈছে মহাকাশমণ্ডল আৰু পৃথিৱী জুৰি (৫৭:২১)----তৈয়াৰ হৈছে ধৰ্মপৰায়ণসকলৰ নিমিত্তে---

১৩৩ যিসকলে (নিজৰ ধন দৌলত আল্লাহৰ পথত) খৰচ কৰে প্ৰাচুৰ্যৰ সময়ত আৰু অনাটন অৱস্থাত আৰু যিসকল ক্ৰোধ সম্বৰণকাৰী আৰু যিসকল মানুহৰ প্ৰতি ক্ষমাশীল। আৰু আল্লাহে সৎকৰ্মীসকলক ভাল পায়;

১৩৪ আৰু যিবিলাকে, যেতিয়া কোনো গৰ্হিত কাম কৰে বা নিজৰ প্ৰতি (ভুল ভ্ৰানিতৰ দ্বাৰা) অন্যায় কৰে, তেতিয়া আল্লাহকে স্মৰণ কৰে আৰু নিজৰ অপৰাধৰ কাৰণে পৰিত্ৰাণ বিচাৰে; বস্তুতঃ আল্লাহৰ বাহিৰে আন কোনো অপৰাধ ক্ষমা কৰে? আৰু সিবিলাকে (আগতে) যি কুকৰ্ম) কৰিছিল তাতে জানি শুনি খামোচ মাৰি ধৰি নাথাকে।

১৩৫ এওঁলোক। এইসকলৰ পুৰস্কাৰ হৈছে এওঁলোকৰ প্ৰভুৰ পৰা (আপোন দোষ-ত্ৰুটিৰ পৰা) পৰিত্ৰাণ আৰু স্বৰ্গোদ্যানসমূহ যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ (২:২৫), তাতেই তেওঁলোক থাকিব স্থায়ীভাৱে (৪৪:৫৬)। আৰু কৰ্মীসকলৰ পুৰস্কাৰ কি চমৎকাৰ (৫৩:৪১)।

১৩৬ নিশ্চয় তোমালোকৰ আগেয়ে বহু জীৱনধাৰা গত হৈ গৈছে। এতেকে পৃথিৱীত ভ্ৰমণ কৰা আৰু (নিজ চকুৰে) চোৱা কেনে হৈছিল (ৰছুলসকলৰ প্ৰতি) মিথ্যাৰোপকাৰী বিলাকৰ পৰিণাম (আৰু সেই বিলাক অত্যাচাৰী আৰু অন্যায়কাৰী জাতিৰ ধ্বংসাৱশেষ দেখি তোমালোকৰ যাতে চকু মুকলি হয়)।

১৩৭ এই (কুৰআন) হৈছে মানৱজাতিৰ কাৰণে সুস্পষ্ট ঘোষণা আৰু পথ নিৰ্দেশ আৰু উপদেশ---ধৰ্মপৰায়ণসকলৰ নিমিত্তে (কিয়নো পাপীবিলাকে ধৰ্মৰ কাহিনী নুশুনে)।

১৩৮ এতেকে (নিজৰ ক্ষয়-ক্ষতি দেখি) দুৰ্বলচিত্ত নহ'বা আৰু (ৰছুলৰ নিৰ্দেশ পাহৰি গৈ শত্ৰুৰ পাচত বিচ্ছিন্নভাৱে খেতি যাওঁতে ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণে) অনুশোচনা নকৰিবা, কাৰণ তোমালোকেই হ'বা উচ্চপদস্থ (আৰু বিজেতা) যদি তোমালোক (আল্লাহ আৰু ৰছুলৰ নিৰ্দেশ পালনত) বিশ্বাসী হোৱা।

১৩৯ (উহুদৰ যুদ্ধত) যদি কোনো আঘাতে তোমালোকক পীড়া দি থাকে তেন্তে তাৰ সমানেই আঘাতে পীড়া দিছে (অবিশ্বাসী) দলটোকো (কাৰণ সিহঁতৰ অভিসন্ধি উহুদৰ ধূলিত লুতিখাই পৰিছে, ৩:১৫৩)। আৰু এই (ভাগ্য-বিপৰ্যয়ৰ) দিনবিলাকেই আমি মানুহৰ ওচৰলৈ পৰ্যায়ক্ৰমে আনি থাকো--- যাতে আল্লাহে নিৰ্ধাৰণ কৰিব পাৰে সিহঁতক যিবিলাকে (বিপদত ধৈৰ্যহাৰা নহৈ অকৃত্ৰিমভাৱে) ঈমান আনিছে, আৰু যাতে তোমালোকৰ মাজৰ পৰা (কোনে কোনে তেওঁৰ নিৰ্দেশ মতে ধৈৰ্য ধৰি আগবাঢ়ি আহে সেই বিষয়ে) সাক্ষী মনোনীত কৰিব পাৰে। আল্লাহ অন্যায়কাৰীসকলক ভাল নাপায়---

১৪০ আৰু যাতে আল্লাহে (কপটচাৰী বিলাকৰ পৰা) বিমুক্ত কৰিব পাৰে যিসকলে ঈমান আনিছে তেওঁলোকক আৰু নিষ্ফল কৰিব পাৰে অবিশ্বাসীবিলাকক।

১৪১ তোমালোকে বিবেচনা কৰিছা নে (আৰু ধৰি লৈছা নে) যে তোমালোকে বেহেশ্বতত প্ৰৱেশ কৰিবা, অথচ আল্লাহে এতিয়াও নিৰ্ণয় কৰা নাই তোমালোকৰ মাজৰ যিসকলে (সত্য আৰু ন্যায়ৰ কাৰণে) সংগ্ৰাম কৰিছা আৰু নিৰ্ধাৰণ কৰা নাই ধৈৰ্যশীল সকলকো (আৰু

সেইভাৱে জীৱনৰ বিভিন্ন সংঘাত আৰু সংগ্ৰামৰ কষটি শিলত বিচাৰ কৰি খাটি সোণ প্ৰমাণিত নকৰালৈকে কোনোবাই বেহেশ্বতত প্ৰৱেশ কৰিবা বুলি ভাবিছা নেকি)?

১৪২ আৰু দৰাচলতে তোমালোকে বিচাৰিছিলা (যুদ্ধক্ষেত্ৰত) মৃত্যুবৰণ কৰিবলৈ (অৰ্থাৎ শত্ৰুক সম্পূৰ্ণ ধ্বংস নকৰালৈকে যুঁজি যুঁজি প্ৰাণ দিবলৈ)---- তাৰ সৈতে (অৰ্থাৎ সেই জীৱন-মৰণ সংগ্ৰামৰ সৈতে) দেখা হোৱাৰ আগতে (যদিও মুহাম্মদ-ছাঃ-ৰ নিজৰ ইচ্ছা আছিল মদীনাৰ ভিতৰত থাকি প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰা); এতিয়া কিন্তু তোমালোকে তাক (অৰ্থাৎ মদীনাৰ বাহিৰত যুদ্ধ কৰাৰ পৰিণতি) দেখিছা আৰু তোমালোকে দেখি থাকা।

**পৰিচ্ছেদ - ১৫**

১৪৩ আৰু মুহাম্মদ (ছাঃ) (উহুদৰ যুদ্ধত আহত হৈ পৰি যোৱা মুহূৰ্ততে জনৰৱ উঠিছিল যে তেওঁ নিহত হৈছে আৰু তোমালোক হতাশ হৈ পৰিছিলা, কিন্তু তোমালোকৰ জনা উচিত যে তেওঁ) এজন ৰছুল ব্যতীত কোনো নহয় (গতিকে তেওঁ এজন নশ্বৰ দেহধাৰী মানৱ যাৰ মৃত্যু এদিন হ'বই, ২১:৭,৮); তেওঁৰ আগৰ ৰছুলসকলো ইতিপূৰ্বে গত হৈ গৈছে (অৰ্থাৎ মৃত্যুবৰণ কৰিছে ৫:৭৫; ২১:৩৪) এতেকে (তেওঁৰ আগৰ প্ৰত্যেকজন ৰছুলৰ দৰেই) তেওঁ যদি (স্বাভাৱিকভাৱে) মৰা পৰে অথবা (তোমালোকে যেনেকৈ ভাবিছা তেনেদৰে যদি সত্যে সত্যে) তেওঁক হত্যা কৰা হয় তেনেহ'লে তোমালোকে তোমালোকৰ গোৰোৱাৰ ওপৰত হোঁহকি যাবা নে (আৰু যি সত্য প্ৰতিষ্ঠাৰ কাৰণে মুহাম্মদ-ছাঃ-এ আজীৱন কঠোৰ সংগ্ৰাম কৰি আহিছে তাক এৰি আঁতৰি যাবা নে)? আৰু যি তাৰ গোৰোৱাৰ ওপৰত হোঁহকি যায় (আৰু ইছলামৰ ৰচি চিঙি পেলাই বিচ্ছিন্ন হৈ যায়, ৩:১০২) সি কিন্তু আল্লাহৰ অকণমানো অনিষ্ট কৰিব নোৱাৰে। আৰু আল্লাহে অচিৰেই পৰিস্কাৰ দিব কৃতজ্ঞসকলক (যিসকলে আপদে-বিপদে আল্লাহৰ প্ৰতি অচল-অটল বিশ্বাস ৰাখি কৰ্তব্য পালন কৰি যায় ২:১৫৫)।

১৪৪ আৰু কোনো লোকৰ পক্ষেই তাৰ মৰি যোৱা সম্ভৱ নহয় আল্লাহৰ অনুমতি বিহনে---লিপিৱদ্ধ থকা নিৰ্ধাৰিত সময় অনুসৰি (আৰু মুহাম্মদ-ছাঃ-ৰ সেই অন্তিম সময় এতিয়াও অহা নাই, নতুবা উহুদৰ এই ভয়ঙ্কৰ সঙ্কটকালত আল্লাহৰ সাহায্যত বিনে তেওঁৰ প্ৰাণ ৰক্ষাৰ কোনো আশাই নাছিল)। আৰু যি কোনোবাই ইহজীৱনৰ পুৰস্কাৰ কামনা কৰে আমি তাক তাৰ পৰা (অৰ্থাৎ তাৰ প্ৰাপ্য পুৰস্কাৰৰ পৰা ন্যায্যভাৱে) আদায় কৰো; আৰু যিজনে বিচাৰে পৰলোকৰ পুৰস্কাৰ আমি তাকো তাৰ পৰা প্ৰদান কৰো। আৰু আমি অচিৰেই (বিপুলভাৱে) পুৰস্কৃত কৰিম কৃতজ্ঞসকলক (যিসকলে সন্তুষ্টচিত্তে নিজৰ কৰ্তব্য পালন কৰি চলিছে)।

১৪৫ আৰু (মুহাম্মদ-ছাঃ-ৰ দৰে) কিমান নবীয়ে (আল্লাহৰ পথত) যুদ্ধ কৰিছে, তেওঁলোকৰ লগত আছিল প্ৰভুৰ অনুগত বহুলোক আৰু আল্লাহৰ পথত তেওঁলোকৰ ওপৰত যি বৰ্তিছিল তাৰ কাৰণে তেওঁলোক অৱসাদগ্ৰস্ত হোৱা নাই আৰু তেওঁলোক (সঙ্কল্প সাধনাত) দুৰ্বলো হোৱা নাই আৰু তেওঁলোকে (শত্ৰুৰ ওচৰত আত্মসমৰ্পণ কৰি) নিজকে হীন কৰা নাই। আৰু আল্লাহে ভাল পায় ধৈৰ্যশীলসকলক।

১৪৬ আৰু তেওঁলোকৰ বক্তব্য ইয়াকে কোৱাৰ বাহিৰে একোৱেই নাছিল---'আমাৰ প্ৰভু! ক্ষমা কৰা আমাৰ সকলো অপৰাধ আৰু কাম-কাজত আমাৰ সকলো অমিতাচাৰ আৰু দৃঢ়কৰা আমাৰ পদক্ষেপ আৰু আমাক সাহায্য কৰা অবিশ্বাসী লোকদলৰ বিৰুদ্ধে।'

১৪৭ কাজেই আল্লাহে তেওঁলোকক দিছিল (যুদ্ধক্ষেত্ৰত প্ৰাপ্ত) ইহজীৱনৰ পুৰস্কাৰ আৰু (তেওঁলোকৰ নিমিত্তে নিৰ্ধাৰিত) পৰলোকৰ পুৰস্কাৰ আৰু চমৎকাৰ। আৰু আল্লাহে ভাল পায় সৎকৰ্মীসকলক।

**পৰিচ্ছেদ - ১৬**

১৪৮ হেৰা যিসকলে ঈমান আনিছা। যিবিলাকে অবিশ্বাস পোষণ কৰে (আৰু চল পালেই ছল-বল প্ৰয়োগ কৰি তোমালোকক সিহঁতৰ দললৈ টানিবলৈ বিচাৰে) তোমালোক যদি সিহঁতৰ অনুগত হোৱা তেন্তে (বিশ্বাসীসকলৰ সৈতে তোমালোকৰ সম্পৰ্ক ছিন্ন কৰি) সিহঁতে তোমালোকৰ গেৰোৱাৰ ওপৰত তোমালোকক হোঁহোঁকাই নিব, ফলত তোমালোকে ক্ষতিগ্ৰস্ত হৈ ওভতিবা।

১৪৯ নহয়, আল্লাই তোমালোকৰ ৰক্ষাকাৰী বন্ধু আৰু তেওঁ সাহায্যকাৰীসকলৰ মাজত সৰ্বোত্তম।

১৫০ যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতৰ অন্তৰত আমি অচিৰেই ভীতি সঞ্চাৰ কৰিম (ফলত বিশৃঙ্খল হৈ পৰা মুছলিম বাহিনীক আক্ৰমণ কৰাৰ সুযোগ নলৈ উহুদৰ ৰণাঙ্গনৰ পৰা সিহঁতে মক্কালৈ ওভতি যোৱাই নিৰাপদে ভাবিলে), কিয়নো সিহঁতে আল্লাহৰ সৈতে (অন্য দেৱ-দেৱীক উপাস্যৰূপে) অংশী কৰিছিল, যাৰ বাবে তেওঁ কোনো সংবিধান অৱতাৰণ কৰা নাই; ফলত সিহঁতৰ বাসস্থান হৈছে (দুযখৰ) জুই, আৰু অন্যায়কাৰীবিলাকৰ আবাসস্থল বেয়া হয়েই।

১৫১ আৰু নিসন্দেহে আল্লাহে ইতিপূৰ্বে তোমালোকৰ ওচৰত তেওঁৰ অঙ্গীকাৰ পালন কৰিছিলে (৩:১২৩) যেতিয়া তোমালোকে তেওঁৰ ইচ্ছাত (আৰু সাহায্যত উহুদৰ যুদ্ধক্ষেত্ৰত) সিহঁতক টুকুৰা-টুকুৰ কৰিছিলা, যেতিয়ালৈকে নেকি তোমালোকে (অৰ্থাৎ তোমালোকৰ পঞ্চাশজনমান তীৰন্দাজ, যিসকলে শত্ৰুৰ পলোৱাৰ বাট বন্ধ কৰাৰ কাৰণে বিশেষ স্থানত নিযুক্ত আছিলা) বিচলিত হৈ পৰিলা আৰু

তোমালোকে (যুদ্ধজয় হৈ হৈছে ভাবি বিশেষ সুবিধাস্থান কোনো অৱস্থাতেই ত্যাগ নকৰাৰ) আদেশ সম্বন্ধে বিৰোধ কৰিলা আৰু অবাধ্য হ'লা যি (যুদ্ধ জয়) তোমালোকে ভাল পোৱা তাক তোমালোকক দেখুওৱাৰ পিচতো (৩:১৩১)। তোমালোকৰ মাজত (সেই তীৰন্দাজসকলৰ নিচিনা) কোনোবা আছিল যিয়ে এই দুনিয়া বিচাৰিছিল (আৰু পলায়নপৰ শত্ৰুবিলাকে পেলাই যোৱা সম্পত্তি সংগ্ৰহৰ কাৰণে নিজৰ অৱস্থান এৰি আগুৱাই গৈছিল) আৰু তোমালোকৰ মাজত (আব্দুল্লাহ ইবনে যুবাইৰ-ৰ নিচিনা) কোনোবা আছিল যিয়ে পৰকাল বিচাৰিছিল (আৰু মাত্ৰ দহজনমান লোকক লৈ নিজ স্থানত অৱস্থান কৰি ৰৈছিল); তাৰ পিছত তেওঁ (অবাধ্যতাৰ কাৰণে) তোমালোকক তাৰ পৰা (--- শত্ৰুৰ পৰা) পলায়নৰত কৰিলে যাতে তেওঁ তোমালোকক শাসন কৰিব পাৰে (আৰু তোমালোকৰ খেলি-মেলি অৱস্থা দেখি পলায়ন উন্মুখ শত্ৰুবিলাক তোমালোকৰ ওপৰত জপিয়াই পৰিল, আৰু তোমালোকৰ বহুতক হতাহত কৰিলে আৰু ৰছুল নিজেও আহত হ'ল)। আৰু (তোমালোকৰ কিছু লোকে নিজকে বিচ্ছিন্ন আৰু নিৰাশ্ৰয় দেখি পিচফালে দৌৰিছিল, তথাপি) তেওঁ অৱশ্যে তোমালোকৰ অপৰাধ মাৰ্জনা কৰিলে আৰু আল্লাহ বিশ্বাসীসকলৰ প্ৰতি অশেষ কৃপাময় (কাৰণ আল্লাহৰ কৃপা আৰু ৰছুলৰ দৃঢ় মনোবল নথকা হ'লে মুছলিম সৈন্যৰ অৱস্থা সেইদিনা কাহিল হৈ পৰিলহেঁতেন)।

১৫২ স্মৰণ কৰা। তোমালোকে (লৰালৰিকৈ পাহাৰৰ) ওপৰলৈ উঠিছিলা আৰু কাৰো ফালে ভ্ৰূক্ষেপ কৰা নাছিলা আৰু ৰছুলে তোমালোকৰ পিছৰ পৰা তোমালোকক মাতিছিলে (শত্ৰুৰ সৈতে যুঁজিবৰ কাৰণে) গতিকে তেওঁ (---আল্লাহে) তোমালোকক বিষাদৰ ওপৰতে বিষাদ আনি দিলে (কাৰণ এফালে যেনেকৈ তোমালোকৰ প্ৰিয় ৰছুলক ভীষণ বিপদৰ মাজত দেখি আতঙ্কগ্ৰস্ত হৈছিলা, আনফালে তেনেকৈ সুশৃঙ্খলভাৱে শত্ৰুক হানা দিয়াৰ সুযোগ হেৰুৱাই আক্ষেপ কৰিছিলা), যাতে তোমালোকে অনুশোচনা নকৰা (পলায়নমান শত্ৰুৱে পেলাই যোৱা মালপত্ৰ সংগ্ৰহ কৰাৰ সুৱৰ্ণ সুযোগ) যিটো তোমালোকৰ পৰা আঁতৰি গৈছে আৰু (ক্ষয়ক্ষতি ৩:১৩১,১৫১) যি তোমালোকৰ ওপৰত বৰ্তিছে তাৰ কাৰণেও নহয় আৰু তোমালোকে যি কৰা সেই সম্বন্ধে আল্লাহ চিৰ-ওৱাকিফহাল।

১৫৩ তাৰ পিছত (শত্ৰু গুচি যোৱাতে) বিষাদৰ পাচত তেওঁ তোমালোকৰ ওপৰত বৰ্ষণ কৰিলে নিৰাপত্তা, তোমালোকৰ এদলৰ ওপৰত নামি আহিল প্ৰশান্তি (কাৰণ তোমালোকৰ বাকী থকা মাত্ৰ সাতশ সেনাবাহিনীয়ে, ৩:১২১ তিনিহাজাৰ শত্ৰু সৈন্যৰ প্ৰচণ্ড আক্ৰমণত বিশৃঙ্খলতাৰ মাজতো বেচ কিছু ক্ষয়-ক্ষতি ভোগ কৰিও শেষলৈ বিজয়ী হ'ব পাৰিছিলা) আৰু অন্য এক (মুনাফিক) দলৰ নিজৰেই মন সিহঁতক উৎকণ্ঠিত কৰিছিল (যদিও সিহঁতে যুদ্ধক্ষেত্ৰৰ পাৰ ফালৰি কাটি যোৱাৰ ফলত দেখাত কোনোভাৱে ক্ষতিগ্ৰস্ত হোৱা নাছিল)-- সিহঁতে আল্লাহ সম্বন্ধে (অৰ্থাৎ আল্লাহৰ সাহায্য সম্বন্ধে, ৩:১২৩) অজ্ঞানতাকালীন সন্দেহ প্ৰৱণতাত সন্দিহান হৈছিল অসঙ্গতভাৱে (আৰু এতিয়া সিহঁতৰ কি দশা হয় সেইটো ভাবি দিহাহাৰা হৈছিল)। সিহঁতে কৈছিল---'এই বিষয়ত আমালোকৰ কিবা (কৰণীয়) আছে নে (কাৰণ মদীনাৰ ভিতৰৰ পৰা প্ৰতিৰক্ষা কৰাৰ সপক্ষে আমাৰ পৰামৰ্শ সংখ্যাগৰিষ্ঠৰ মত অনুসৰি নাকচ কৰি দি নগৰৰ বাহিৰত সন্মুখ সমৰত লিপ্ত হোৱাৰ ফলতেই মদীনাবাসী ক্ষতিগ্ৰস্ত হ'ব লগা হ'ল)?' (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা ---'নিসন্দেহে (উহুদৰ পাহাৰত শত্ৰুক মোকাবিলা কৰাৰ) বিষয়টো সৰ্বতোভাৱে আল্লাহৰ (মৰ্জিমাফিক হৈছে)।' সিবিলাকে সিহঁতৰ নিজৰ মাজত যি (বিদ্বেষ) লুকাই ৰাখিছে সেইটো তোমাৰ ওচৰত প্ৰকাশ কৰা নাই (আৰু বাহিৰত দেখুৱাইছে মুছলিমৰ ক্ষতি যেন সিহঁতৰ নিজৰহে ক্ষতি); সিহঁতে কৈছিল---'এই বিষয়ত (অৰ্থাৎ সিদ্ধান্তত) যদি আমাৰ (মতামত খটুৱাৰ) কিবা থাকিলহেঁতেন তেন্তে ইয়াত আমালোকক হত্যা কৰা নহ'লহেঁতেন।' তুমি কোৱা --'তোমালোকে (দুৰ্বলচিত্তসকলে যিবিলাকে এতিয়া বৰ সমবেদনা দেখুৱাইছা) যদি তোমালোকৰ ঘৰৰ ভিতৰতো (লুকাই) থাকা তথাপি (খাঁটি মুছলিমৰ দৰে) যিসকলৰ বাবে প্ৰাণাঘাত (অৰ্থাৎ শত্ৰুক সংহাৰ আৰু আত্মবলিদান) লিখিত হৈছে সেইসকল নিশ্চয় নিজৰ নিৰ্ধাৰিত স্থলত গৈ হাজিৰ হ'লহেঁতেন (আৰু এইবিলাক কপটাচাৰীয়ে ফালৰি কাটিলেও সিহঁতে কিন্তু 'জিকিলে বীৰ মৰিলে শ্বহীদ এই মনোবল লৈ প্ৰাণপণে যুদ্ধ কৰি গ'লহেঁতেন)।' আৰু (এইবিলাক ঘটিছে এইকাৰণেই যে) আল্লাহে যাতে (অন্যক আঙুলিয়াই দেখুৱাই দিয়াৰ কাৰণে) বিচাৰ কৰিব পাৰে কি (গৰল) আছে তোমালোকৰ হিয়াত আৰু যাতে নিগৰাই উলিয়াই দিব পাৰে যি আছে তোমালোকৰ হৃদয়ত। আৰু বুকুৰ ভিতৰত (পোষণ কৰা আক্ৰোশ আৰু বিদ্বেষ) যি আছে সেই সম্বন্ধে আল্লাহ সৰ্বজ্ঞাতা।

১৫৪ বাস্তৱিকতে যিদিনা দুই সৈন্যদল পৰস্পৰ মুখামুখি হৈছিল সেইদিনা তোমালোকৰ মাজৰ যিসকলে (মুছলিমৰ মূল বাহিনীৰ পৰা বিচ্ছিন্ন হৈ পৰি) পলায়নপৰ হৈছিলা (৩:১৫১, যদিও সেইটো আছিল অনুচিত), সিহঁতক (পলায়নৰ প্ৰৰোচনা দি) পদস্খলন কৰিছিল চয়তানে যেহেতু সিহঁতে (ৰছুলৰ নিৰ্দেশ পাহৰি গৈ সংগঠন নষ্ট কৰি) কিছু (অন্যায়) অৰ্জন কৰিছিল; আৰু অৱশ্যে আল্লাহে (শেষলৈকে) সিহঁতক মাৰ্জনা কৰিলে (কিয়নো সিহঁতে ষড়যন্ত্ৰত লিপ্ত হৈ অপৰাধ কৰা নাই, ৩:১৫১)। নিশ্চয় আল্লাহ (পদস্খলনৰ পৰা) পৰিত্ৰাণকাৰী অতি অমায়িক।

**পৰিচ্ছেদ - ১৭**

১৫৫ হেৰা যিসকলে ঈমান আনিছা। সিহঁতৰ নিচিনা নহ'বা যিবিলাকে অবিশ্বাস পোষণ কৰিছে আৰু সিহঁতৰ ভাই-ককাইক (অৰ্থাৎ মুছলিম আত্মীয় স্বজনক) কয় যেতিয়া সেইসকলে (নিৰাপত্তাবিহীন অৱস্থাৰ মাজত ব্যৱসায়-বাণিজ্যৰ কাৰণে) দেশ ভ্ৰমণ কৰে অথবা (নিজৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সামৰিক) অভিযানত লিপ্ত হয়---'সিহঁত যদি আমাৰ সৈতে থাকিলহেঁতেন তেনেহ'লে সিহঁতে (এইদৰে

অপঘাতত) নমৰিলহেঁতেন বা নিহত নহ'লহেঁতেন।' পৰিণামত আল্লাহে এইটো সিহঁতৰ অন্তৰত আক্ষেপৰ বিষয় বনাইছে (কিয়নো সিহঁতৰ এনেকুৱা লোক-দেখুওৱা হোৱা হোৱা কন্দা-কটা নিদাৰুণভাৱে প্ৰকাশ হৈ পৰিল)। আৰু আল্লাহে জীৱন দান কৰে আৰু মৃত্যু ঘটায় (কাজেই কপটাচাৰী বিলাকৰ ইয়াত ক'বলৈ একোৱেই নাই)। আৰু তোমালোকে যি কৰিছা আল্লাহ তাৰ দৰ্শক।

১৫৬ আৰু যদি আল্লাহৰ পথত (সংগ্ৰামৰত অৱস্থাত) তোমালোকক হত্যা কৰা হয় অথবা (নিজ নিজ কৰ্তব্য পালন কৰি চলা অৱস্থাত) তোমালোকৰ মৃত্যু হয় তেন্তে নিশ্চয় আল্লাহৰ পৰা (তোমালোকৰ কাৰণে ধাৰ্য) পৰিত্ৰাণ লাভ আৰু কৰুণাপ্ৰাপ্তি সিহঁতে (ধনসম্পত্তি) যি জমা কৰে তাতোকৈ উৎকৃষ্টতৰ।

১৫৭ আৰু যদি তোমালোকে (আল্লাহৰ পথত) মৰাই যোৱা বা তোমালোক নিহত হোৱা (তাত তোমালোকৰ একো ক্ষতি নাই), দৰাচলতে আল্লাহৰ ওচৰত (প্ৰতিদান পোৱাৰ আৰু নৈকট্য লাভৰ কাৰণে) তোমালোকক একত্ৰিত কৰা হ'ব (আৰু তোমালোক হ'বা সেই মজলিচৰ সন্মানিত অতিথি)।

১৫৮ তাৰ পিছত আল্লাহৰ কৰুণাৰ ফলত (হে মুহাম্মদ-ছাঃ!) তুমি সিহঁতৰ প্ৰতি কোমল হৈছিলা (যদিও তোমালোকৰ জীৱন-মৰণ সংগ্ৰামত যিকোনো ধৰণৰ গাফিলতি কঠোৰ হাতে দমন কৰাৰ প্ৰয়োজন আছিল, যেহেতু তোমাৰ কঠিন নিৰ্দেশ অমান্য কৰাৰ কাৰণে মুছলিম বাহিনীক উহুদৰ যুদ্ধত বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হ'ল)। আৰু যদি তুমি ৰুক্ষ আৰু কঠোৰ হৃদয় হ'লাহেঁতেন তেনেহ'লে নিশ্চয় সিহঁত তোমাৰ চাৰিওফালৰ পৰা বিচ্ছিন্ন হৈ গ'লহেঁতেন (৯:১২৮)। এতেকে সিহঁতৰ অপৰাধ মাৰ্জনা কৰা আৰু সিহঁতৰ (ভুল-ভ্ৰান্তিৰ) কাৰণে (আল্লাহৰ ওচৰত) ক্ষমা প্ৰাৰ্থনা কৰা আৰু সিহঁতৰ সৈতে (সম্পৰ্ক ত্যাগ নকৰি) কাম-কাজত পৰামৰ্শ কৰা (৪২:৩৮ আৰু সংখ্যাগৰিষ্ঠৰ মতামত মোতাবিক সাৰ্বজনীন বিষয়বস্তুত একগোটে কাম কৰি যোৱা)। আৰু যেতিয়া (কোনো বিষয়ত) সংকল্প গ্ৰহণ কৰিছা তেতিয়া (ইস্পাতৰ নিচিনা দৃঢ় মনোবল লৈ আগবাঢ়ি যোৱা আৰু ফলাফলৰ কাৰণে) আল্লাহৰ ওপৰত নিৰ্ভৰ কৰা (আৰু পৰিণামত যিয়েই নঘটক কিয় তাতেই সন্তুষ্ট থাকা, ৫৩:৩৯-৪১)। বাস্তৱতে আল্লাহে ভাল পায় (তেওঁৰ ওপৰত) নিৰ্ভৰশীলসকলক (আৰু সেইকাৰণেই তুমি বিপুল সংখ্যাগৰিষ্ঠ শত্ৰু বাহিনীৰ বিৰুদ্ধেও একাদিক্ৰমে জয়যুক্ত হৈছা, আৰু সুদক্ষ সেনানায়কৰূপে স্বীকৃতি পাইছা)।

১৫৯ যদি আল্লাহে তোমালোকৰ সাহায্য কৰে তেন্তে কোনেও তোমালোকক পৰাজিত কৰিব নোৱাৰিব, আৰু যদি তেওঁ তোমালোকক পৰিত্যাগ কৰে তেনেহ'লে তেওঁৰ বাহিৰে অইন কোন আছে যি তোমালোকক সাহায্য কৰিব পাৰে? আৰু আল্লাহৰ ওপৰতেই তেনেহ'লে বিশ্বাসীসকলে নিৰ্ভৰ কৰক।

১৬০ আৰু কোনো নবীৰ পক্ষে এইটো (সম্ভৱ) নহয় যে তেওঁ প্ৰতাৰণা কৰিব (যেনেকৈ তোমালোকৰ তীৰন্দাজ বিলাকৰ কোনো কোনোৱে ভাবিছিল যে পলাতক শত্ৰুসৈন্যৰ পেলাই যোৱা সম্পত্তি লৰালৰিকৈ হাত কৰিব নোৱাৰিলে এইবিলাক বেহাত হৈ যাব আৰু নবীয়ে ইয়াৰ ভাগ তোমালোকক নিদিবও পাৰে, ৩:১৫১; তাৰ উপৰি নবীসকলে পাপাচাৰ নকৰাৰ কাৰণে অনেক উপদেশ দিব অথচ নিজে পাপ কৰিব সেইটোও হ'ব নোৱাৰে, ২১:২৭; কাজেই উহুদৰ দুৰ্ভোগৰ কাৰণে মুহাম্মদ-ছাঃ-ক দোষাৰোপ কৰা নাযাব ৩:১৬৩)। আৰু যিজনে প্ৰতাৰণা কৰে (আৰু যাৰ কথা আৰু কামত মিল নাথাকে, ৬১:২-৩) সেইজনে যি কিবা প্ৰতাৰণা কৰিছে সেইখিনি কিয়ামতৰ (পুনৰুত্থানৰ) দিনা (লগত) লৈ আহিব (অৰ্থাৎ প্ৰতাৰণাৰ প্ৰতিফল তাৰ কাৰণে মজুত থাকিব)। তাৰ পাছত প্ৰত্যেক সত্তাকে পুৰাপুৰি দিয়া হ'ব যি সি অৰ্জন কৰিছে আৰু (এই প্ৰতিফল দানত) সিহঁতক অন্যায় কৰা নহ'ব।

১৬১ কি! যিজনে আল্লাহৰ সন্তুষ্টিৰ অনুগমন কৰে (অৰ্থাৎ যিবিলাক কাম কৰিলে আল্লাহ সন্তুষ্ট থাকে সেইবিলাক কাম যিসকলে কৰি থাকে) সেইজন তাৰ নিচিনা নেকি যে আল্লাহৰ পৰা অসন্তোষ্টি লৈ আহিছে, আৰু যাৰ ঠাই হৈছে জাহান্নাম? আৰু জঘন্য সেই গন্তব্যস্থান (এতেকে সেই নাৰকীয় চিকিৎসালয়ত চিকিৎসা লোৱাৰ কাৰণে ভৰি আগনবঢ়াই আগতীয়া প্ৰতিষেধক ব্যৱস্থা লোৱাই হ'ব বুদ্ধিমানৰ কাম)।

১৬২ আল্লাহৰ কাষত তেওঁলোকৰ (মৰ্যাদাৰ) স্তৰভেদ আছে (গতিকে নিজ নিজ মৰ্যাদা অনুযায়ী স্বৰ্গোদ্যানৰ বিভিন্ন তৰপত তেওঁলোক বিচৰণ কৰিব)। আৰু তেওঁলোকে যি কৰিছে আল্লাহ তাকে দেখি থাকোঁতা (কাজেই কাৰোৰ অকণমানো কাম-কাজ বিফলে নাযাব)।

১৬৩ নিসন্দেহে আল্লাহে বিশ্বাসীসকলৰ প্ৰতি অনুগ্ৰহ কৰিছিলে যেতিয়া (ইব্ৰাহীম-আঃ- প্ৰাৰ্থনাৰ ফলস্বৰূপে, ২:১২৯; জেনে ১৭:১৮-২০) তেওঁ তেওঁলোকৰ ওচৰত তেওঁলোকৰ মাজৰে পৰা থিয় কৰালে এজন ৰছুল, যিজনে তেওঁৰ নিৰ্দেশাৱলী তেওঁলোকৰ ওচৰত পাঠ কৰে আৰু (পঙ্কিলতাৰ পৰা) তেওঁলোকক পৰিশোধিত কৰে আৰু তেওঁলোকক ধৰ্মগ্ৰন্থ আৰু জ্ঞান-বিজ্ঞানৰ শিক্ষা দিয়ে (২:১৫১); যদিও ইয়াৰ আগেয়ে প্ৰকৃততে তেওঁলোক আছিল স্পষ্ট ভুলৰ মাজত।

১৬৪ কি! যেতিয়া কোনো দুৰ্যোগ তোমালোকৰ ওপৰত ঘটিল (যেনে উহুদৰ যুদ্ধত তোমালোকৰ সত্তৰজন বীৰ পুৰুষ শ্বহীদ হ'ল)-- (যদিও) ইয়াৰ আগতে তোমালোকে (শত্ৰু সৈন্যৰ ওপৰত) ইয়াৰ দুগুণ পৰিমাণ দুৰ্যোগ আনিছিলা (যেনেকৈ বদৰৰ যুদ্ধত, আৰু উহুদৰ

যুদ্ধৰ প্ৰথম দিশতেই)-- তোমালোকে ক'বলৈ আৰম্ভ কৰিলা----'এইটো (বিপৰ্যয়) ক'ৰ পৰা?' (হে মুহাম্মদ-ছাঃ! সিহঁতক) কোৱা---'এইবিলাক তোমালোকৰ নিজৰে (কৰ্মৰ) পৰা।' নিশ্চয় আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

১৬৫ আৰু যিদিনা দুই সৈন্যদল (পৰস্পৰৰ) মুখামুখি হৈছিল সেই দিনা যি তোমালোকৰ ওপৰত ঘটিছিল সেইটো আল্লাহৰ জ্ঞাতসাৰে (তোমালোকক সমুচিত শিক্ষা দিয়াৰ কাৰণেই ঘটিছিল) আৰু যাতে তেওঁ বিশ্বাসীসকলক (তেওঁলোকৰ কৃতকৰ্মৰ পৰিপ্ৰেক্ষিতত) জানিব পাৰে;

১৬৬ আৰু যাতে তেওঁ জানিব পাৰে সিহঁতক যিবিলাকে কপটতা কৰে আৰু সিহঁতক কোৱা হৈছিল----'আহাঁ, আল্লাহৰ পথত (সন্মুখ সমৰত) যুদ্ধ কৰা (২:১৯০-১৯৬), অথবা (অন্ততঃ) আত্মৰক্ষা কৰা।' সিহঁতে (ভাওধৰি) কৈছিল----'আমি যদি যুদ্ধ কৰিব জানিলোহেঁতেন (অথবা আমি যদি জানিলোহেঁতেন যে এইখন এখন যুদ্ধ, কিয়নো আমি নিশ্চিত আছিলো যে ইমান প্ৰবল আৰু বিপুল সংখ্যক সেনাবাহিনীৰ মোকাবিলা কৰাৰ অৰ্থ জুইত পতঙ্গই জাপ দিয়াৰ সাক্ষাৎ আত্মাহুতি দিয়া), তেন্তে আমি নিশ্চয় তোমালোকক অনুসৰণ কৰিলোহেঁতেন।' সেইদিনা সিহঁতে ঈমানতকৈ অবিশ্বাসৰহে নিকটৰ হৈছিল। সিহঁতে সিহঁতৰ মুখেদি (এনেকুৱা মৰম পতিয়া কথা) কৈছিল যি সিহঁতৰ অন্তৰত নাছিল; আৰু আল্লাহে ভাল জানে যিখিনি সিহঁতে লুকাৱাইছে।

১৬৭ সিহঁতে (নিজে) ঘৰতে বহি থাকি (আল্লাহৰ পথত যুদ্ধ কৰি থকা) সিহঁতৰ ভাই-ককাইৰ সম্বন্ধে কৈছিল--'সিহঁতে যদি আমাৰ কথা শুনিলেহেঁতেন তেন্তে সিহঁতক হত্যা কৰা নহ'লহেঁতেন।' (হে মুহাম্মদ-ছাঃ! সিহঁতক) কোৱা ---'তেনেহ'লে (আগতে) তোমালোকে নিজৰ পৰাই মৃত্যুক বাধা দি ৰাখা, যদিহে তোমালোক (তোমালোকৰ আশ্বাসবাণী সম্বন্ধে) সত্যবাদী হোৱা।'

১৬৮ আৰু যিসকলক আল্লাহৰ পথত (সংগ্ৰামত লিপ্ত থাকোতে) হত্যা কৰা হৈছে তেওঁলোকক মৃত বুলি নাভাবিবা। বৰঞ্চ তেওঁলোকৰ প্ৰভুৰ দৰবাৰত (তেওঁলোক) জীৱন্ত (২:১৫৪), (পৰলোকত অফুৰন্তভাৱে) তেওঁলোকক ৰিযেক দিয়া হ'ব---

১৬৯ আল্লাহে তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা তেওঁলোকক যি দিছে সেইকাৰণে (তেওঁলোক) খুচিত ডগমগ আৰু তেওঁলোকে আনন্দ কৰিব সেইসকলৰ কাৰণে যিসকলে (তেতিয়াও সেই স্বৰ্গীয় খুচিৰ মজলিচত) তেওঁলোকৰ সৈতে মিলিত হোৱা নাই তেওঁলোকৰ পাচতীয়াৰ পৰা, কিয়নো (তেওঁলোক পিছৰ পৰা অচিৰেই মজলিচত হাজিৰ হৈছে বুলি) তেওঁলোকৰ ওপৰত কোনো ভয় নাই আৰু তেওঁলোকে অনুতাপো নকৰিব (২:৩৮)।

১৭০ তেওঁলোকে আনন্দ প্ৰকাশ কৰিব আল্লাহৰ পৰা (প্ৰাপ্ত) অনুগ্ৰহৰ কাৰণে আৰু কৰুণা ভাণ্ডাৰৰ কাৰণে আৰু নিসন্দেহে আল্লাহে বিশ্বাসীসকলৰ প্ৰাপ্য বিফল নকৰে (বৰং শতগুণে সেইটো বঢ়াই দি থাকে)।

**পৰিচ্ছেদ - ১৮**

১৭১ যিসকলে আল্লাহ আৰু ৰছুলৰ আহ্বানত সঁহাৰি দিছিল সিহঁতৰ ওপৰত দুৰ্যোগ ঘটাৰ পিছতো (আৰু উহুদৰ যুদ্ধৰ পাচৰ দিনা মক্কাৰ সৈন্যবিলাকক 'হামৰা-আল-আচাদ' লৈকে খেদি গৈছিল), তেওঁলোকৰ মাজৰ যিসকলে সৎকৰ্ম কৰে আৰু (আল্লাহক) ভয়-শ্ৰদ্ধা কৰে তেওঁলোকৰ নিমিত্তে আছে বিৰাট পুৰস্কাৰ।

১৭২ মানুবোৰে যিসকলক কৈছিল----'অৱশ্যে (পাচৰ বছৰৰ 'সৰু বদৰ'-ৰ অভিযানত) তোমালোকৰ বিৰুদ্ধে মানুহ গোট খাইছেহি ( যাতে তোমালোকে দল-বল বঢ়াব নোৱাৰা), এতেকে সিহঁতক ভয় কৰা;'----কিন্তু (এই আক্ৰমণৰ হুকিত মুছলিমসকলে সতৰ্কতামূলক প্ৰস্তুতি গ্ৰহণ কৰিলে, ফলত) সেইসকলৰ ঈমান বাঢ়ি গ'ল (আৰু মজবুত হ'ল) আৰু তেওঁলোকে ক'লে---'আল্লাহেই আমাৰ কাৰণে যথেষ্ট, আৰু তেওঁ অতি উত্তম ৰক্ষাকৰ্তা (গতিকে তেওঁৰ পথত আত্মবলি দিবলৈ আমি কেতিয়াও কুণ্ঠিত নহও আৰু শত্ৰুৰ সন্মুখত বীৰত্বেৰে সন্মুখীন হ'লে জয় আমাৰ অনিৰ্বায)।'

১৭৩ গতিকে তেওঁলোক উভতি আহিলে আল্লাহৰ পৰা নিয়ামত (বা অনুগ্ৰহ) আৰু কৰুণাভাণ্ডাৰ লৈ (কাৰণ সেই সময়ত তাত অনুষ্ঠিত মেলাত ব্যৱসায় কৰি তেওঁলোকে অনেক মুনাফা আৰ্জিছিল) কোনো অনিষ্টই তেওঁলোকক স্পৰ্শ কৰা নাই (কিয়নো 'সৰু বদৰ'-ত কোনো যুদ্ধই নহ'ল, কাৰণ উহুদৰ পৰা পলায়নৰ পথত সেনানায়ক আবু চুফয়ানৰ ঘোষণা সত্বেও মক্কাবাসীয়ে ময়দানত হাজিৰ নহ'ল), বস্তুতঃ তেওঁলোকে আল্লাহৰ প্ৰসন্নতাৰ অনুগমন কৰিছিল (যেহেতু তেওঁলোকে আল্লাহৰ পথত আত্মোৎসৰ্গ কৰিবলৈ আগবাঢ়ি আহিছিল)। আৰু আল্লাহ অফুৰন্ত কৰুণাভাণ্ডাৰৰ মালিক।

১৭৪ নিসন্দেহে (নুআইম নামৰ) তোমালোকৰ সেই (ভাড়াত লোৱা) চয়তানেই (যাক মক্কাবাসীয়ে নিয়োগ কৰিছিলক মুছলিমসকলৰ মাজত ভীতি সঞ্চাৰ কৰাৰ উদ্দেশ্যে, সেইজনে) ভয় দেখুৱায় তাৰ বন্ধু-বান্ধৱক (যিসকল নিজেই কপটাচাৰী আৰু ভীৰু স্বভাৱৰ); কিন্তু তোমালোকে (---মুছলিমসকলে) সিহঁতক ভয় নকৰিবা, বৰং আমাকেই ভয় কৰা--- যদি তোমালোক (খাঁটি) ঈমানদাৰ হোৱা।

১৭৫ আৰু যিসকলে (শত্ৰুৰ হুকিয়া-হুকিত) অবিশ্বাসৰ প্ৰতি ধাবিত হয় সিহঁতে যেন তোমালোকক দুখী নকৰে; নিশ্চয় সিহঁতে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰে। আল্লাহে বিচাৰে যে (সদায় তেওঁৰ বিৰোধিতা কৰি থকাৰ কাৰণে) আখেৰাতত সিহঁতৰ নিমিত্তে লাভৰ একোৰেই নাথাকক আৰু সিহঁতৰ নিমিত্তে ৰৈছে কঠোৰ শাস্তি।

১৭৬ দৰাচলতে যিসকলে ঈমানৰ সলনি অবিশ্বাস কিনিছে সিহঁতে আল্লাহৰ কোনো ক্ষতি কৰিব নোৱাৰিব আৰু সিহঁতৰ কাৰণে ৰৈছে ব্যথাদায়ক শাস্তি।

১৭৭ আৰু যিবিলাকে অবিশ্বাস পোষণ কৰে সিহঁতে যেন নাভাবে যে আমি সিহঁতক (গ্ৰেপ্তাৰ কৰিবলৈ) যি অৱকাশ দিছো সেইটো সিহঁতৰ ভালৰ কাৰণে। বাস্তৱতে আমি সিহঁতক অৱকাশ দিছো যেন সিহঁতে পাপৰ মাত্ৰা বঢ়াই তুলে (আৰু সিহঁতৰ পাপৰ নাওৰ তলি ফুটি সমূলঞ্চে ডুবে, অৱশ্যে সেই অৱকাশত সিহঁতে যদি নিজকে শুধৰাব পাৰে তেন্তে সিহঁতৰ কাৰণে সেইটো কিমান যে ভাল হ'লহেঁতেন) আৰু (যেহেতু সিহঁতে নিজকে শুধৰাব নুখোজে সেই কাৰণে) সিহঁতৰ কাৰণে ৰৈছে লাঞ্ছনাদায়ক শাস্তি।

১৭৮ (হে ঈমানদাৰ সকল!) তোমালোক যি অৱস্থাত (এতিয়া) আছা সেই অৱস্থাত আল্লাহে বিশ্বাসীসকলক কোনোৰকমেই পেলাই নাৰাখিব, যেতিয়ালৈকে নেকি তেওঁ ভালৰ পৰা বেয়াক পৃথক কৰে। আৰু আল্লাহ অদৃশ্য সম্বন্ধে (অৰ্থাৎ সাধাৰণৰ অগোচৰ বিষয় সম্বন্ধে) তোমালোকৰ ওচৰত গোচৰীভূত নকৰিব, হ'লেও আল্লাহে (সেই উদ্দেশ্যে) তেওঁৰ ৰছুলসকলৰ মাজৰ পৰা যাতে ইচ্ছা কৰে (প্ৰত্যাদেশৰ জৰিয়তে গুপ্ত জ্ঞানভাণ্ডাৰ মুকলি কৰি দিয়াৰ কাৰণে) নিৰ্বাচিত কৰে। এতেকে আল্লাহতে আৰু তেওঁৰ ৰছুলসকলত ঈমান আনা (যাতে তোমালোকে দুনিয়া আৰু আখেৰাতৰ মঙ্গলৰ কাৰণে সঠিক পথৰ দিশ পোৱা)। আৰু যদি তোমালোকে (আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি) বিশ্বাস কৰা আৰু ভয়-শ্ৰদ্ধা কৰা তেনেহ'লে তোমালোকৰ কাৰণে ৰৈছে বিৰাট পুৰস্কাৰ।

১৭৯ আৰু আল্লাহে যিবিলাকক তেওঁৰ কৰুণাভাণ্ডাৰৰ পৰা যি দান কৰিছে সেই বিষয়ত যিসকলে কৃপণতা কৰে সিহঁতে যেন নাভাবে যে সিটো (--কটকিনালি) সিহঁতৰ কাৰণে ভাল। নহয়, সেইটো সিহঁতৰ কাৰণে বেয়া (কিয়নো জাতি আৰু ধৰ্মৰ প্ৰগতিৰ ক্ষেত্ৰত কৃপণালি কৰিলে সমাজৰ উন্নতিৰ পথত বাধাৰ সৃষ্টি হয়)। যি বিষয়ত সিহঁতে (এই দুনিয়াত) কৃপণালি কৰে সেইটো কিয়ামতৰ দিনা সিহঁতৰ ডিঙিত (দাসত্বৰ শিকলিৰ দৰে, ম্যাথু ১৮:৬) বুলি থাকিব (১৭:১৩)। আৰু মহাকাশমণ্ডল আৰু পৃথিৱীৰ উত্তৰাধিকাৰ আল্লাহৰ আৰু যি তোমালোকে কৰা, আল্লাহ তাৰ পূৰ্ণওৱাকিফহাল (কাজেই তোমালোকেযেনে কাম কৰিবা তেনে ফল পাবা)।

**পৰিচ্ছেদ - ১৯**

১৮০ আল্লাহে অৱশ্যেই শুনিছে সিহঁতৰ (---মদীনাৰ ইহুদীবিলাকৰ) কথা যিবিলাকে (মুছলিমৰ দীন-দুখীয়া অৱস্থাৰ প্ৰতি ব্যঙ্গ কৰি) কৈছিল---'নিশ্চয় আল্লাহ দুখীয়া (সেইকাৰণে আল্লাহৰ পীৰিতৰ বান্দাবিলাকে ভিখাৰীৰ দৰে চান্দা খুজি ফুৰিছে যুদ্ধৰ খৰচৰ কাৰণে ২:২৪৫), আৰু আমি ধনী (সেইকাৰণে আমি টকাৰ লেন-দেন কৰো, ৫:৬৪)।' কাজেই আমি লিখি ৰাখিম সিহঁতে যি কয়, আৰু নবীসকলক অন্যায়ভাৱে সিহঁতৰ হত্যা কৰিবলৈ যোৱাটো (৩:২০,১১১) আৰু আমি ক'ম--'(দুযখৰ জুইত)' পোৰাৰ যন্ত্ৰণাৰ মজা গ্ৰহণ কৰা।

১৮১ 'এইটো তাৰ কাৰণে (অৰ্থাৎ সেইবিলাক দুস্কৃতিৰ কাৰণে) যি তোমালোকৰ হাতেৰে আগবঢ়াইছা (২:৯৫) আৰু যেহেতু আল্লাহ বান্দাসকলৰ প্ৰতি অত্যাচাৰী নহয় (নহ'লে তেওঁ তোমালোকৰ অন্তৰৰ মলি পুৰি তোমালোকক পৰিশোধিত নকৰিলেহেঁতেন)।'

১৮২ (ছিদ্ৰান্বেষী ইহুদীবোৰৰ) যিবিলাকে কৈছিল---'আল্লাহে অৱশ্যে আমাৰ ওচৰত অঙ্গীকাৰ কৰিছে যে আমি কোনো ৰছুলৰ প্ৰতি ঈমান নানিম যেতিয়ালৈকে নেকি তেওঁ আমাৰ ওচৰত (মুছাৰ বিধানমতে) এনে কুৰবানি আনিব যাক (পূজাৰ) জুইয়ে পুৰি থাকে (অৰ্থাৎ তেওঁ যেন আমাৰ যাগ যজ্ঞৰ ধৰ্মমত প্ৰচাৰ কৰে আৰু তেওঁ এজন ইছৰাইলীয় নবী হয়, লেভ ১:৯; ৮:১৮; ৯:২৩-২৪; ডিউ ৩৩:১০; ১৮:১৮; জেনে ৪:৩-৮)।' (হে মুহাম্মদ-ছাঃ!) তুমি কোৱা---'নিশ্চয় মোৰ আগে তোমালোকৰ ওচৰলৈ ৰছুলসকল আহিছিল (মুছা আঃ-ৰ বিধানমতে) স্পষ্ট প্ৰমাণৱলী লৈ আৰু তোমালোকে যাৰ কথা কৈছা তাক লৈ; তেন্তে কিয় তোমালোকে তেওঁলোকক হত্যা কৰিবলৈ গৈছিলা, (কোৱাঁ---) যদি তোমালোকে (তোমালোকৰ দলিল দস্তাবেজ সম্বন্ধে) সত্যবাদী হোৱা।'

১৮৩ এতেকে (হে মুহাম্মদ-ছাঃ!) যদি সিহঁতে তোমাক অস্বীকাৰ কৰে (ইয়াত নতুনত্ব একোৰেই নাই, কিয়নো) তোমাৰ আগৰ ৰছুলসকলো এনেভাৱেই অস্বীকৃত হৈছিল, যিসকল আহিছিল লগত লৈ স্পষ্ট প্ৰমাণৱলী আৰু যবুৰ (৪:১৬৩) আৰু উজ্বল কিতাপ (২২:৮, য'ত লিপিৱদ্ধ আছিল মুছা-আঃ-ৰ বিধান আৰু মুঠ কথা, সকলো যুগৰ সকলো নবীয়ে তেওঁলোকৰ নিজ নিজ লোকৰ নিমিত্তে দৈৱ গ্ৰন্থ লৈ অহা সত্ত্বেও তেওঁলোকক এদল পাষণ্ডই অস্বীকাৰ কৰিছিল, ৩৫:২৫)।

১৮৪ প্ৰত্যেক সত্তাকেই মৃত্যুৰ সোৱাদ ল'বই লাগিব (২১:৩৪,৩৫)। আৰু নিশ্চয় কিয়ামতৰ (হিচাপ-নিকাচৰ) দিনা তোমালোকৰ প্ৰাপ্য

পুৰাপুৰি তোমালোকক আদায় কৰা হ'ব। এতেকে যাকে (দুযখৰ) জুইৰ পৰা বহু দূৰৈত ৰখা হ'ব আৰু স্বৰ্গোদ্যানত প্ৰৱেশ কৰোৱা হ'ব, স্বৰূপতে তেওঁ হ'ল সফলকাম। আৰু এই দুনিয়াৰ জীৱন (পৰকালৰ চিৰন্তন বাস্তৱ জীৱনৰ তুলনাত) ফাঁকি-ফুকা বিষয়বস্তুৰ বাহিৰে একোৱেই নহয়।

১৮৫ ( হে মুছলিমগণ! অদূৰ আৰু সুদূৰ ভৱিষ্যতত) নিশ্চয় তোমালোকক পৰীক্ষা কৰা হ'ব তোমালোকৰ ধন-সম্পত্তি আৰু তোমালোকৰ জনমানৱৰ মাধ্যমেৰে (২:১৫৫, সেইকাৰণে স্পেন আৰু অমান্য বহু দেশৰ পৰা ধনে-জনে তোমালোক বিতাৰিত হ'বা আৰু অইন বহুত দেশতে তোমালোকৰ বিৰুদ্ধে সংঘৱদ্ধভাৱে সাম্প্ৰদায়িক দাঙ্গা-হাঙ্গামা চলোৱা হ'ব) আৰু নিশ্চয় তোমালোকে শুনিবঁলৈ পাবা তোমালোকৰ আগতে যিসকলক গ্ৰন্থ দিয়া হৈছে সেইসকলৰ (যেনে খ্ৰীষ্টানসকলৰ ৰাজনৈতিক আৰু কটুৰ নিশনাৰী দলৰ) পৰা আৰু যিসকলে (আল্লাহৰ লগতে অন্য উপাস্য) শ্বৰীক কৰে সেইবিলাকৰ পৰা (যথা মূৰ্তিপূজক হিন্দু পৰিষদৰ পৰা) অনেক গালি-গালাজ (কাৰণ যি ফুলৰ পৰা মৌ-মাখিয়ে মধু আহৰণ কৰে সেই ফুলৰ পৰাই কোদোৱে বনায় বিষ, ২৯:৪১)। আৰু যদি তোমালোকে (সেইবিলাক সঙ্কটত আৰু বিপৰ্যয়ত) ধৈৰ্য ধাৰণ কৰা আৰু (একমাত্ৰ আল্লাহকে) ভয় ভক্তি কৰা (আৰু সেইভাৱে বীৰত্বৰ সৈতে সমস্ত নিৰ্যাতন আৰু আক্ৰমণ প্ৰতিৰোধ কৰিবঁলৈ প্ৰস্তুত থাকা) তেন্তে নিশ্চয় সেইটো হ'ব সৎসাহসৰ কাম।

১৮৬ আৰু স্মৰণ কৰা! যিসকলক কিতাপ দিয়া হৈছিল সেইসকলৰ পৰা আল্লাহে অঙ্গীকাৰ গ্ৰহণ কৰিছিলে---'তোমালোকে নিশ্চয় ইয়াৰ কথা (অৰ্থাৎ মুহাম্মদ-ছাঃ-ৰ আগমন সম্পৰ্কীয় ভৱিষ্যৎবাণীৰ কথা) লোকৰ ওচৰত প্ৰকাশ কৰিবা, আৰু তাক লুকাই নাৰাখিবা।' কিন্তু সিহঁতে এইটো (--এই অঙ্গীকাৰ) সিহঁতৰ পিঠিৰ পিছফালে পেলাই ৰাখি দিছিল (২:১০১) আৰু ইয়াৰ কাৰণে বিনিময়ত অল্পমূল্য গ্ৰহণ কৰিছিল। এতেকে বেয়া এইটো যিটো সিহঁতে কিনে।

১৮৭ (হে মুহাম্মদ-ছাঃ!) তুমি মনত নকৰিবা যিবিলাকে উলাহ কৰে (সিহঁতৰ দুষ্কৃতি সত্বেও) যি সিহঁতক দিয়া হৈছে সেইকাৰণে, আৰু ভাল পায় যিটো কৰা নাই তাৰ কাৰণে সিহঁতক প্ৰশংসা কৰা হ'লে---কাজেই সিহঁতক তুমি নাভাবিবা যে সিহঁত শাস্তিৰ পৰা নিৰাপদ আৰু সিহঁতৰ কাৰণে ৰৈছে ব্যথাদায়ক শাস্তি।

১৮৮ আৰু আল্লাহৰেই মহাকাশমণ্ডল আৰু পৃথিৱীৰ ৰাজত্ব। আৰু আল্লাহ সকলো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।

**পৰিচ্ছেদ - ২০**

১৮৯ নিসন্দেহে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিত আৰু ৰাতি আৰু দিনৰ আবৰ্তনত বিশেষ নিৰ্দৰ্শন ৰৈছে জ্ঞানবান লোকসকলৰ নিমিত্তে (যিসকলে আল্লাহৰ ধ্যান-ধাৰণাৰ কাৰণে সংসাৰ এইৰ সন্ন্যাস ব্ৰত ধাৰণ নকৰে আকৌ বিশ্বৰ সকলোতে বিজয় ধ্বজা উৰাবলৈ গৈ আল্লাহক পাহৰিও নাযায়)---

১৯০ যিসকলে (এফালে যেনেকৈ) আল্লাহক স্মৰণ কৰে থিয় হৈ থকা আৰু বহা আৰু তেওঁলোকৰ একাষৰীয়াকৈ শায়িত অৱস্থাত (অৰ্থাৎ জীৱনৰ প্ৰতিটো পদক্ষেপত আৰু শাৰীৰিক অসুস্থতাত), আৰু (আনফালে তেনেকৈ) গভীৰ চিন্তা কৰে মহাকাশমণ্ডল আৰু পৃথিৱীৰ সৃষ্টিৰ (ৰহস্য ভেদৰ) বিষয়ে। (তেওঁলোকে সৃষ্টি সম্পৰ্কে যিমানেই গৱেষণা কৰে তেওঁলোকৰ জ্ঞানচকু তিমানেই উন্মীলিত হয়, আৰু আল্লাহৰ অসীম মহিমা উপলব্ধি কৰি কয়---) 'আমাৰ প্ৰভু! এইবিলাক তুমি অনৰ্থক সৃষ্টি কৰা নাই (তোমাৰ প্ৰতিটি সৃষ্টিৰ মাজত ৰৈছে মানৱ জাতিৰ কল্যাণ কামনাৰ নিবিড় সম্পৰ্ক); তোমাৰেই সকলো মহিমা! এতেকে (তোমাক এৰি আমি যেন অন্য সৃষ্ট বস্তুক খোদা বুলি ভুল নকৰো আৰু তাৰেই পৰিপ্ৰেক্ষিতত) আমাক ৰক্ষা কৰা (দুযখৰ) জুইৰ শাস্তিৰ পৰা।

১৯১ 'আমাৰ প্ৰভু! নিশ্চয় যাকে তুমি (তাৰ দুস্কৃতিৰ কাৰণে দুযখৰ) জুইত প্ৰৱেশ কৰোৱা, তাক তেন্তে প্ৰকৃততে তুমি লাঞ্ছিত কৰিছা আৰু অন্যায়কাৰীবিলাকৰ নিমিত্তে (সেই জুইৰ পৰা মুক্তিৰ কাৰণে) সাহায্যকাৰীসকলৰ কোনোৱেই নাথাকিব।

১৯২ 'আমাৰ প্ৰভু! নিশ্চয় আমি শুনিছো (মুহাম্মদ-ছাঃ-নামক এজন ঘোষণাকাৰীক ঈমানৰ প্ৰতি আহ্বান কৰোতে এইবুলি---'তোমালোকৰ প্ৰভুৰ প্ৰতি ঈমান আনা', গতিকে আমি ঈমান আনিছো। আমাৰ প্ৰভু! এতেকে আমাৰ অপৰাধ সমূহৰ পৰা আমাক পৰিত্ৰাণ কৰা আৰু দোষ-ত্ৰুটিবিলাক আমাৰ পৰা মচি দিয়া আৰু (আমি যেন এনে জীৱন-যাপন কৰিব পাৰো যাতে যিকোনো সময়তেই আমাৰ মৃত্যু নহওক কিয়) আমাক প্ৰাণত্যাগ কৰিবঁলৈ দিয়া সজ্জনসকলৰ লগতে।

১৯৩ 'আমাৰ প্ৰভু! আৰু আমাক (সেই বিজয়) প্ৰদান কৰা যি তুমি তোমাৰ ৰছুলসকলৰ জৰিয়তে আমাৰ ওচৰত ওৱাদা কৰিছা; আৰু আমাক লঞ্ছিত নকৰিবা কিয়ামতৰ (শেষ বিচাৰৰ) দিনা। নিশ্চয় তুমি ওৱাদাৰ খেলাপ নকৰা (সেই কাৰণে সত্যৰ বিজয় আৰু অসত্যৰ বিনাশ তোমাৰ ওচৰত আমাৰ কাম্য)।'

১৯৪ তেওঁলোকৰ প্ৰভুৱে তেতিয়া (লগে লগে) তেওঁলোকৰ প্ৰতি সঁহাৰি দিলে (আৰু ক'লে)--'মই নিশ্চয় বিফল নকৰিম তোমালোকৰ মাজৰ কৰ্মীসকলৰ কাম-কাজ---পুৰুষেই হওক বা নাৰী---তোমালোকৰ এজন অন্যজনৰ পৰা (উদ্ভূত, কাজেই সামাজিক, ধৰ্মনৈতিক

আৰু আধ্যাত্মিক ক্ষেত্ৰত নাৰী-পুৰুষৰ মৰ্যাদা আমাৰ ওচৰত একে সমান, ৩৩:৩৫) গতিকে যিসকলে (মক্কাৰ অত্যাচাৰী বিলাকৰ পৰা নিস্তাৰ পোৱাৰ কাৰণে মদীনাত) হিজৰত কৰিছে আৰু নিজৰ ঘৰ-বাৰীৰ পৰা (যিসকলক) উলিয়াই দিয়া হৈছে আৰু আমাৰ পথত (থকাত যিসকল) নিৰ্যাতিত হৈছে আৰু (সত্য আৰু ন্যায় প্ৰতিষ্ঠাৰ নিমিত্তে যিসকলে) যুদ্ধ কৰিছে আৰু নিহত হৈছে--- নিসন্দেহে সেইসকলৰ দোষ-ত্ৰুটি তেওঁলোকৰ পৰা অৱশ্যেই মচি দিম আৰু নিসন্দেহে তেওঁলোকক অৱশ্যেই প্ৰৱেশ কৰাম স্বৰ্গোদ্যানসমূহত, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ (২:২৫ যি এই দুনিয়াতেও তেওঁলোকে ভোগ কৰিব পাৰিব মেচোপটেমিয়া তথা অন্যান্য দেস বিজয়ৰ পৰা)-- এটি পুৰস্কাৰ আল্লাহৰ দৰবাৰৰ পৰা। আৰু আল্লাহ----তেওঁৰ ওচৰত ৰৈছে (পৰকালত) আৰু উত্তম পুৰস্কাৰ।'

১৯৫ যিবিলাকে অবিশ্বাস পোষণ কৰে চহৰে-নগৰে সিহঁতৰ (অবাধ) চলা ফুৰা (আৰু আধিপত্যই) তোমাক যেন ধোকা নিদিয়ে (কিয়নো সিহঁতৰ বাহ্যিক জাকজমক অচিৰেই ধুৱলি-কুঁৱলী হৈ যাব)।

১৯৬ (এয়া ক্ষণিকৰ) তুচ্ছ ভোগ। তাৰ পিছত সিহঁতৰ বাসস্থান হৈছে জহন্নাম, আৰু জঘন্য এই বিশ্ৰামস্থল (২:২০৬)।

১৯৭ কিন্তু যিসকলে তেওঁলোকৰ প্ৰভুক ভয়-শ্ৰদ্ধা কৰে তেওঁলোকৰ নিমিত্তে (নিৰ্ধাৰিত ৰৈছে) স্বৰ্গোদ্যানসমূহ, যিবিলাকৰ তলেদি বৈ গৈছে নিঝৰাবোৰ (২:২৫), তাতে তেওঁলোক থাকিব চিৰকাল (১১:১০৮)--- আল্লাহৰ তৰফৰ পৰা আপ্যায়ন! আৰু আল্লাহৰ কাষত যি (তদুপৰি সঞ্চিত) ৰৈছে সেইখিনি পুণ্যাত্মাসকলৰ নিমিত্তে আৰু উত্তম।

১৯৮ আৰু গ্ৰন্থপ্ৰাপ্তসকলৰ মাজৰ যিসকলে আল্লাহত আৰু যি তোমালোকৰ ওচৰত অৱতীৰ্ণ হৈছে আৰু যি তেওঁলোকৰ ওচৰত (ইতিপূৰ্বে) অৱতীৰ্ণ হৈছিল তাত ঈমান আনে তেওঁলোক আল্লাহৰ ওচৰত বিনীত (বিনম্ৰ), তেওঁলোকে আল্লাহৰ বাণীসমূহৰ কাৰণে অল্পমূল্য অৰ্জন কৰিবলৈ নাযায় (২:৭৯)। এওঁলোকেই (সেইসকল ভাগ্যবান),----এওঁলোকৰ নিমিত্তে নিজ নিজ পুৰস্কাৰ ৰৈছে এওঁলোকৰ প্ৰভুৰ ওচৰত। নিসন্দেহে আল্লাহ হিচাপ নিকাচত তৎপৰ (কাজেই সৎকৰ্মীসকলে নিজৰ প্ৰতিদান হাতে হাতে পাই যাব)।

১৯৯ হেৰা যিসকলে ঈমান আনিছা। (সঙ্কটকালত) ধৈৰ্যধাৰণ কৰা আৰু (কৰ্তব্যকৰ্ম সম্পাদনৰ বাবে) ধৈৰ্যধাৰণত অগ্ৰণী হোৱা আৰু (দেশৰ আৰু নিজৰ দৈনন্দিন ক্ৰিয়াকলাপৰ পৰিসীমা ৰক্ষাত) অবিচল থাকা আৰু আল্লাহকে ভয়-শ্ৰদ্ধা কৰা যাতে তোমালোক (জীৱন যাত্ৰাত আৰু পৰকালৰ পাথেয় সংগ্ৰহত) সফলকাম হ'ব পাৰা।

* * * * * * * * * * * * * *